# কলিমা ‘লা ইলা-হা ইল্লাল্লাহ’ৰ অৰ্থ, চৰ্তসমূহ লগতে ব্যক্তি আৰু সমাজ জীৱনত ইয়াৰ প্ৰভাৱ

[ অসমীয়া – Assamese – آسامي ]

**শ্বাইখ ছলেহ ইবন ফাওজান আলে-ফাওজান**

অনুবাদ : ৰফিকুল ইছলাম বিন হাবীবুৰ ৰহমান দৰঙী

নিৰীক্ষক ইছলাম হাউছ অসমীয়া ৱেবছাইট, ৰিয়াদ, ছৌদী আৰব

IslamHouse.com

# معنى لا إله إلا الله

## ومقتضاها وآثارها في الفرد والمجتمع

[ অসমীয়া - Assamese - آسامي ]

الشيخ صالح بن فوزان الفوزان

ترجمة: رفيق الاسلام بن حبيب الرحمن

المكتب التعاوني للدعوة وتوعية الجاليات بالربوة
هاتف: ٤٤٥٤٩٠٠ ١١ ٩٦٦+ فاكس: ٤٩٧٠١٢٦ ١١ ٩٦٦+ ص ب: ٢٩٤٦٥ الرياض: ١١٤٥٧
ISLAMIC PROPAGATION OFFICE IN RABWAH
P.O.BOX 29465 RIYADH 11457 TEL: +966 11 4454900 FAX: +966 11 4970126
OFFICERABWAH

‘লা ইলা-হা ইল্লাল্লাহ’ — আল্লাহৰ বাহিৰে আন কোনো সত্য মাবুদ বা উপাস্য নাই। এইটো ইছলামৰ চূড়ান্ত কলিমা, মানৱ জীৱনৰ পৰম বাক্য। এই সৰু কিন্তু মূল্যবান পুস্তিকাত এই বাক্যৰ মৰ্যাদা, ফজীলত, স্তম্ভ বা ৰুকন, চৰ্ত, অৰ্থ, চাহিদা বা দাবী, উপকাৰিতা আৰু প্ৰভাৱ আলোচিত হৈছে।

বিছমিল্লাহিৰ ৰহমানিৰ ৰাহীম

যাৱতীয় প্ৰশংসা আল্লাহৰ বাবে। আমি তেওঁৰ ওচৰতেই ক্ষমা প্ৰাৰ্থনা কৰো আৰু তেওঁৰ ওচৰতেই তাওবা কৰো। আমাৰ নফছৰ সকলো প্ৰকাৰ বিপৰ্যয় আৰু কুকীৰ্তিৰ পৰা ৰক্ষা পাবলৈ তেওঁৰ ওচৰতেই সহায় প্ৰাৰ্থনা কৰো। আল্লাহে যাক হিদায়ত দান কৰে তাক পথভ্ৰষ্ট কৰিবলৈ কোনো নাই, আৰু তেওঁ যাক পথভ্ৰষ্ট কৰে তাৰ কোনো পথ প্ৰদৰ্শনকাৰী নাই।

তাৰ পিছত মই সাক্ষ্য প্ৰদান কৰিছো যে, আল্লাহ এজন আৰু অদ্বিতীয়, তেওঁৰ কোনো অংশীদাৰ নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম আল্লাহৰ বান্দাহ আৰু তেওঁৰ ৰাছুল। আল্লাহৰ তৰফৰ পৰা কিয়ামত লৈকে চালাত আৰু ছালাম বৰ্ষিত হওঁক তেওঁৰ ৰাছুলৰ ওপৰত, নবী পৰিয়ালৰ ওপৰত লগতে সকলো ছাহাবাৰ ওপৰত আৰু সেই সমূহ ব্যক্তিৰ ওপৰত যিসকলে ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ ছুন্নতৰ অনুসৰণ কৰিছে আৰু মজবুতকৈ ধাৰণ কৰিছে তেওঁৰ ছুন্নতক।

আল্লাহ তা'আলাই আমাক তেওঁৰ স্মৰণ কৰাৰ বাবে আদেশ কৰিছে আৰু তেওঁ তাৰ স্মৰণকাৰীসকলৰ প্ৰশংসা কৰিছে আৰু তেওঁলোকৰ বাবে পুৰষ্কাৰৰ প্ৰতিশ্ৰুতি কৰিছে। তেওঁ আমাক সাধাৰণভাৱে সৰ্বাবস্থাত তেওঁক স্মৰণ কৰিবলৈ নিৰ্দেশ দিছে। আকৌ বিভিন্ন ইবাদত সম্পন্ন কৰাৰ পিছতো তেওঁক স্মৰণ কৰাৰ নিৰ্দেশ দিছে।

তেওঁ কৈছেঃ

﴿ فَإِذَا قَضَيْتُمُ ٱلصَّلَوٰةَ فَٱذْكُرُواْ ٱللَّهَ قِيَٰمًا وَقُعُودًا وَعَلَىٰ جُنُوبِكُمْۚ ﴾ [النساء: ١٠٣]

"এতেকে যেতিয়া তোমালোকে ছালাত সমাপ্ত কৰিবা তেতিয়া তোমালোকে থিয় হৈ, বহি আৰু শুই থকা অৱস্থাতো আল্লাহক স্মৰণ কৰিবা"। (ছুৰা আন নিছা, ১০৩)

আল্লাহ তাআলাই আৰু কৈছেঃ

﴿ فَإِذَا قَضَيْتُم مَّنَٰسِكَكُمْ فَٱذْكُرُواْ ٱللَّهَ كَذِكْرِكُمْ ءَابَآءَكُمْ أَوْ أَشَدَّ ذِكْرًاۗ ﴾ [البقرة: ٢٠٠]

“তাৰ পিছত যেতিয়া তোমালোকে হজ্জৰ কামসমূহ সমাপ্ত কৰিবা তেতিয়া আল্লাহক এনেকৈ স্মৰণ কৰিবা যেনেকৈ তোমালোকে নিজৰ পিতৃ-পুৰুষসকলক স্মৰণ কৰি থাকা অথবা তাতোকৈও অধিক”। (ছুৰা আল-বাক্বাৰাহ, ২০০)

বিশেষকৈ হজ্জ পালনৰ সময়ত তেওঁক স্মৰণ কৰাৰ কথা কৈছেঃ

﴿فَإِذَآ أَفَضۡتُم مِّنۡ عَرَفَٰتٖ فَٱذۡكُرُواْ ٱللَّهَ عِندَ ٱلۡمَشۡعَرِ ٱلۡحَرَامِۖ﴾ [البقرة: ١٩٨]

“এতেকে তোমালোকে যেতিয়া আৰাফাতৰ পৰা উভতি আহিবা তেতিয়া মাশ্বআৰুল হাৰাম (মুজদালিফা)ৰ ওচৰত আল্লাহক স্মৰণ কৰিবা। (ছুৰা আল-বাক্বাৰাহ, ১৯৮)

তেওঁ আৰু কৈছেঃ

﴿ لِّيَشۡهَدُواْ مَنَٰفِعَ لَهُمۡ وَيَذۡكُرُواْ ٱسۡمَ ٱللَّهِ فِيٓ أَيَّامٖ مَّعۡلُومَٰتٍ عَلَىٰ مَا رَزَقَهُم مِّنۢ بَهِيمَةِ ٱلۡأَنۡعَٰمِۖ﴾ [الحج: ٢٨]

“যাতে তেওঁলোকে নিজৰ কল্যাণৰ ঠাইবোৰত উপস্থিত হ’ব পাৰে আৰু আল্লাহে তেওঁলোকক চতুষ্পদ জন্তুৰ পৰা যিবোৰ জীৱিকা হিচাপে দান কৰিছে সেইবোৰৰ ওপৰত নিৰ্দিষ্ট দিনবোৰত আল্লাহৰ নাম উচ্চাৰণ কৰিব পাৰে”। (ছুৰা-আল-হাজ্জ, ২৮)

তেওঁ আৰু কৈছেঃ

﴿ ۞وَٱذۡكُرُواْ ٱللَّهَ فِيٓ أَيَّامٖ مَّعۡدُودَٰتٖۚ﴾ [البقرة: ٢٠٣]

“আৰু তোমালোকে নিৰ্দিষ্ট দিনসমূহত আল্লাহক স্মৰণ কৰিবা।” (ছুৰা আল-বাক্বাৰাহ, ২০৩)

ইয়াৰ বাহিৰে আল্লাহৰ স্মৰণৰ বাবে তেওঁ ছালাত প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা কৰিছে। এই প্ৰসঙ্গত তেওঁ কৈছেঃ

﴿وَأَقِمِ ٱلصَّلَوٰةَ لِذِكۡرِيٓ ١٤﴾ [طه: ١٤]

“এতেকে মোৰ স্মৰণাৰ্থে ছালাত কায়েম কৰা।” (ছুৰা ত্বা-হা, ১৪)

ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«إِنَّ هَذِهِ الْأَيَّامَ أَيَّامُ أَكْلٍ وَشُرْبٍ وَذِكْرِ اللَّهِ عَزَّ وَجَلَّ»

“তাশ্বৰিকৰ দিনবোৰ হৈছে খোৱাৰ পানাহাৰৰ আৰু আল্লাহক স্মৰণৰ বাবে।” (মুছলিম: ১১৪১; আবু দাউদ: ২৮১৩)

আল্লাহ তা'আলাই কৈছেঃ

﴿يَـٰٓأَيُّهَا ٱلَّذِينَ ءَامَنُواْ ٱذْكُرُواْ ٱللَّهَ ذِكْرًا كَثِيرًا ۝٤١ وَسَبِّحُوهُ بُكْرَةً وَأَصِيلًا ۝٤٢﴾ [الاحزاب: ٤١، ٤٢]

“হে ঈমান্দাৰসকল! তোমালোকে আল্লাহক বেছি বেছি স্মৰণ কৰা, আৰু পুৱা-গধূলি তেওঁৰ পৱিত্ৰতা আৰু মহিমা ঘোষণা কৰা”। (ছুৰা আল-আহযাব, ৪১-৪২)

ইয়াত জনাই থোৱা প্ৰয়োজন যে, আটাইতকৈ উত্তম যিক্ৰ (স্মৰণ হৈছে,

(لاَ إِلَهَ إِلاَّ اللّٰهُ وَحْدَهُ لاَ شَرِيْكَ لَهُ)

“আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, তেওঁ একক তেওঁৰ কোনো অংশীদাৰ নাই।

ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ আটাইতকৈ উত্তম দুআ আৰাফাত দিৰসৰ দুআ আৰু আটাইতকৈ উত্তম কথা যিটো মই আৰু মোৰ পূৰ্বৱৰ্তী নবীসকলে কৈছেঃ সেয়া হৈছে:

(لاَ إِلَهَ إِلاَّ اللّٰهُ وَحْدَهُ لاَ شَرِيْكَ لَهُ ، لَهُ الْـمُـلْكُ وَ لَهُ الحَمْدُ وَ هُوَ عَلَى كُلِّ شَيْءٍ قَدِيْرٌ)

উচ্চাৰণঃ লা-ইলা-হা ইল্লাল্লাহু অহদাহু লা-শ্বাৰীকা লাহু, লাহুল মুলকু অলাহুল হামদু অহুৱা আলা কুল্লি শ্বাইয়িন ক্বাদীৰ।

“আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই, ৰাজত্ব একমাত্ৰ তেওঁৰেই আৰু প্ৰশংসাও একমাত্ৰ তেওঁৰ বাবেই, আৰু তেওঁ সকলো বস্তু ওপৰত ক্ষমতাবান”।

- ‘লা ইলা-হা ইল্লাল্লাহ’ আল্লাহৰ স্মৰণসমূহৰ মাজত অন্যতম।

এই মহামূল্যবান বাণীৰ আছে বিশেষ মৰ্যাদা লগতে ইয়াৰ সৈতে সম্পৰ্ক আছে বিভিন্ন হুকুম আহকামৰ। আৰু এই কলিমাৰ আছে এটা বিশেষ অৰ্থ আৰু উদ্দেশ্য আৰু

কিছুমান চৰ্ত, ফলত এই কলিমা কেৱল গতানুগতিক ভাৱে মুখেৰে উচ্চাৰণ কৰাটোৱেই ঈমানৰ বাবে যথেষ্ট নহয়। এই বাবেই মই মোৰ লিখনিৰ বিষয়বস্তু হিচাপে এই বিষয়টোক অগ্ৰাধিকাৰ দিছো আৰু আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰো তেওঁ যেন মোক আৰু আপোনালোকক এই মহান কলিমাৰ ভাবাৱেগ অনুধাৱন কৰি ইয়াৰ দাবী অনুযায়ী তেওঁৰ সকলো কাম কৰাৰ তাওফীক দান কৰক আৰু আমাক সেইসকল লোকৰ অন্তৰ্ভুক্ত কৰক যিসকলে এই কলিমাৰ সঠিক অৰ্থ বুজিবলৈ সক্ষম হৈছে।

প্ৰিয় পাঠক, এই কলিমাৰ ব্যাখ্যা কৰোতে মই নিম্নলিখিত বিষয়বোৰৰ ওপৰত আলোকপাত কৰিম:

- মানৱ জীৱনত এই কলিমাৰ মৰ্যাদা
- ইয়াৰ ফজীলত
- ইয়াৰ ব্যাকৰণিক ব্যাখ্যা
- ইয়াৰ স্তম্ভ বা ৰুকনসমূহ
- ইয়াৰ চৰ্তাৱলী
- ইয়াৰ অৰ্থ আৰু দাবী
- এই কলিমা পাঠ কৰিলে মানুহে কেতিয়া উপকৃত হ'ব আৰু কেতিয়া উপকৃত নহ'ব
- আমাৰ সাৰ্বিক জীৱনত ইয়াৰ প্ৰভাৱ কি?

এতিয়া আল্লাহৰ সাহায্য কামনা কৰি কলিমা " لَا إِلَهَ إِلَّا اللهُ " ৰ গুৰুত্ব আৰু মৰ্যাদা সম্পৰ্কে মই আলোচনা আৰম্ভ কৰিছো।

**১. ব্যক্তি জীৱনত কলিমা لَا إِلَهَ إِلَّا اللهُ ৰ গুৰুত্ব আৰু মৰ্যাদা:**

এইটো এনেকুৱা এটা গুৰুত্বপূৰ্ণ বাণী যিটো মুছলিমসকলে তেওঁলোকৰ আজান, ইকামত, বক্তৃতা-বিবৃতিত বলিষ্ঠ কণ্ঠত ঘোষণা কৰি থাকে, এইটো এনেকুৱা এটা কলিমা যাৰ বাবে প্ৰতিষ্ঠিত হৈছে আকাশ পৃথিৱী, সৃষ্টি হৈছে সকলো মাখলুকাত। আৰু ইয়াৰ প্ৰচাৰৰ বাবে আল্লাহ তাআলাই যুগে যুগে প্ৰেৰণ কৰিছে অসংখ্য নবী ও ৰাছুল আৰু অৱতীৰ্ণ কৰিছে ঐশী কিতাবসমূহ, প্ৰণয়ন কৰিছে অসংখ্য বিধান। প্ৰতিষ্ঠিত কৰিছে মীযান লগতে ব্যৱস্থা কৰিছে পুংখানুপুঙ্খ হিচাপ নিকাচৰ, প্ৰস্তুত কৰিছে জান্নাত আৰু জাহান্নাম। এই কলিমাক স্বীকাৰ আৰু অস্বীকাৰ কৰাৰ মাধ্যমতেই মানৱ

সম্প্ৰদায় ঈমানদাৰ আৰু কাফিৰ এই দুই ভাগত বিভক্ত হৈছে। এতেকে সৃষ্টি জগতত মানুহৰ কৰ্ম, কৰ্মৰ ফলাফল, পুৰস্কাৰ অথবা শাস্তি সকলো বস্তুৰেই উৎস হৈছে এই কলিমা। ইয়াৰ বাবেই উৎপত্তি হৈছে সৃষ্টি জগতৰ, এই সত্যৰ ভিত্তিতেই আখিৰাতৰ প্ৰশ্নোত্তৰ আৰু ইয়াৰ ভিত্তিতেই প্ৰতিষ্ঠিত হ'ব ছোৱাব আৰু শাস্তি। এই কলিমাৰ ওপৰত ভিত্তি কৰি প্ৰতিষ্ঠিত হৈছে মুছলিমসকলৰ কিবলা আৰু এইটোৱেই হৈছে মুছলিমসকলৰ জাতি সত্তাৰ ভিত্তি-প্ৰস্তৰ আৰু ইয়াৰ প্ৰতিষ্ঠাৰ বাবেই খাপৰ পৰা উলিওৱা হৈছে জিহাদৰ তৰোৱাল।

বান্দাৰ ওপৰত এইটোৱেই হৈছে আল্লাহৰ অধিকাৰ, এইটোৱেই ইছলামৰ মূল বক্তব্য আৰু শান্তিৰ আবাসৰ (জান্নাতৰ) চাবিকাঠি আৰু আদি অন্ত সকলোৱেই জবাবদিহি হ'ব এই কলিমা সম্পৰ্কে।

আল্লাহে কিয়ামতৰ দিনা প্ৰত্যেক ব্যক্তিকেই প্ৰশ্ন কৰিব, তুমি কাৰ ইবাদত কৰিছিলা? নবীসকলৰ আহ্বানত কিমানখিনি সঁহাৰি দিছিলা? এই দুটা প্ৰশ্নৰ উত্তৰ নিদিয়া লৈকে কোনো ব্যক্তিয়েই তাৰ দুটা ভৰি সামান্যতমো আগুৱাব নোৱাৰিব। আৰু প্ৰথম প্ৰশ্নৰ সঠিক উত্তৰ হ'ব " لاَ إِلَهَ إِلاَّ اللهُ "ক ভালদৰে জানি ইয়াৰ স্বীকৃতি দান কৰা আৰু ইয়াৰ দাবী অনুযায়ী কাজ কৰা। আৰু দ্বিতীয় প্ৰশ্নৰ উত্তৰ সঠিক হ'ব মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামক ৰাছুল হিচাপে মানি তেওঁৰ নিৰ্দেশৰ আনুগত্যৰ মাধ্যমত। আৰু এই কলিমাই হৈছে কুফৰ আৰু ইছলামৰ মাজত পাৰ্থক্য সৃষ্টিকাৰী। এইটো হৈছে আল্লাহ ভীতিৰ কলিমা আৰু মজবুত অৱলম্বন।

এই কলিমাই ইব্ৰাহীম আলাইহিচ ছালাম ৰাখি থৈ গৈছেঃ

﴿ وَجَعَلَهَا كَلِمَةَۢ بَاقِيَةً فِي عَقِبِهِۦ لَعَلَّهُمۡ يَرۡجِعُونَ ٢٨ ﴾ [الزخرف: ٢٨]

"আৰু এই ঘোষণাক তেওঁ চিৰন্তন বাণীৰূপে ৰাখি থৈ গৈছে তেওঁৰ উত্তৰসূৰীসকলৰ মাজত, যাতে সিহঁতে উভতি আহে।" [ছুৰা আয-যুখৰুফ: ২৮]

এইটোৱেই সেই কলিমা যাৰ সাক্ষ্য আল্লাহ তা'আলাই নিজেই নিজৰ বাবে দিছে, লগতে ফিৰিস্তাসকল আৰু জ্ঞানী ব্যক্তিসকলেও সাক্ষ্য দিছে। আল্লাহ তা'আলাই কৈছেঃ

﴿شَهِدَ ٱللَّهُ أَنَّهُۥ لَآ إِلَٰهَ إِلَّا هُوَ وَٱلۡمَلَٰٓئِكَةُ وَأُوْلُواْ ٱلۡعِلۡمِ قَآئِمَۢا بِٱلۡقِسۡطِۚ لَآ إِلَٰهَ إِلَّا هُوَ ٱلۡعَزِيزُ ٱلۡحَكِيمُ ١٨ ﴾ [ال عمران: ١٨]

“আল্লাহে সাক্ষ্য দিয়ে যে, নিশ্চয় তেওঁৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, আৰু ফিৰিস্তাসকল লগতে জ্ঞানীসকলেও (এই সাক্ষ্য দিয়ে); তেওঁ ন্যায়-নীতিৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, (তেওঁ) পৰাক্ৰমশালী, প্ৰজ্ঞাময়।” (ছুৰা আলে ইমৰান, ১৮)

এই কলিমাই ইখলাছ তথা সত্যনিষ্ঠাৰ বাণী, এইটোৱেই সত্যৰ সাক্ষ্য আৰু তাৰ দাৰাত লগতে শ্বিৰ্কৰ সৈতে সম্পৰ্ক ছিন্ন কৰাৰ বাণী আৰু এই বাবেই সৃষ্টিজগতক সৃষ্টি কৰা হৈছে। যেনে আল্লাহ তা'আলাই কৈছেঃ

﴿ وَمَا خَلَقْتُ ٱلْجِنَّ وَٱلْإِنسَ إِلَّا لِيَعْبُدُونِ ۝٥٦ ﴾ [الذاريات: ٥٦]

“মই জিন আৰু মানুহক কেৱল এই বাবেই সৃষ্টি কৰিছো যে, সিহঁত কেৱল মোৰেই ইবাদত কৰিব।” (ছুৰা আয-যাৰিয়াত-৫৬)

এই কলিমা প্ৰচাৰৰ বাবে আল্লাহে সকলো ৰাছুল আৰু ঐশী কিতাবসমূহ অৱতীৰ্ণ কৰিছে, তেওঁ কৈছেঃ

﴿ وَمَآ أَرْسَلْنَا مِن قَبْلِكَ مِن رَّسُولٍ إِلَّا نُوحِيٓ إِلَيْهِ أَنَّهُۥ لَآ إِلَٰهَ إِلَّآ أَنَا۠ فَٱعْبُدُونِ ۝٢٥ ﴾ [الانبياء: ٢٥]

“আৰু তোমাৰ পূৰ্বে আমি যি ৰাছুলকেই প্ৰেৰণ কৰিছো তেওঁৰ ওচৰত এইটোৱেই অহী কৰিছো যে, ‘মোৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, সেয়ে তোমালোকে কেৱল মোৰেই ইবাদত কৰা’’। (ছুৰা আল-আম্বিয়া, আয়াত ২৫)

আল্লাহে আৰু কৈছেঃ

﴿ يُنَزِّلُ ٱلْمَلَٰٓئِكَةَ بِٱلرُّوحِ مِنْ أَمْرِهِۦ عَلَىٰ مَن يَشَآءُ مِنْ عِبَادِهِۦٓ أَنْ أَنذِرُوٓا۟ أَنَّهُۥ لَآ إِلَٰهَ إِلَّآ أَنَا۠ فَٱتَّقُونِ ۝٢ ﴾ [النحل: ٢]

“তেওঁ নিজ বান্দাসকলৰ মাজত যাৰ প্ৰতি ইচ্ছা নিজ নিৰ্দেশত ৰূহ (অহীসহ ফিৰিস্তা) প্ৰেৰণ কৰে এই বুলি যে, তোমালোকে সতৰ্ক কৰা, মই বিনে আন কোনো সত্য ইলাহ নাই; সেয়ে তোমালোকে মোৰ তাক্বৱা অৱলম্বন কৰা”। (আন-নাহল-২)

ইবনে ওৱাইনা ৰাহিমাহুল্লাহে কৈছেঃ “বান্দাৰ ওপৰত আল্লাহ তা'আলাৰ আটাইতকৈ প্ৰধান আৰু ডাঙৰ নিয়ামত হৈছে তেওঁ তেওঁলোক" لاَ إِلَهَ إِلاَّ اللهُ" তেওঁ এই

একত্ববাদৰ সৈতে পৰিচয় কৰি দিছে। পৃথিৱীত পিয়াহঁত কাতৰ তৃষ্ণাতুৰ এজন মানুহৰ ওচৰত শীতল পানীৰ যি মূল্য, আখিৰাতত জান্নাতবাসীৰ বাবে এই কলিমা তদ্রুপ''[1]।

ইয়াৰ বাহিৰে যি ব্যক্তি এই কলিমাৰ স্বীকৃতি দান কৰিব সি তাৰ সম্পদ আৰু জীৱনৰ নিৰাপত্তা গ্ৰহণ কৰিলে। আৰু যি ব্যক্তি সেয়া অস্বীকাৰ কৰিব সি তাৰ জীৱন আৰু সম্পদৰ নিৰাপত্তা হেৰুৱাব।

ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«مَنْ قَالَ: لَا إِلَهَ إِلَّا اللهُ، وَكَفَرَ بِمَا يُعْبَدُ مَنْ دُونِ اللهِ، حَرُمَ مَالُهُ، وَدَمُهُ، وَحِسَابُهُ عَلَى اللهِ»

''যি ব্যক্তিয়ে 'লা ইলা-হা ইল্লাল্লাহ'ৰ স্বীকৃতি দান কৰিলে আৰু আল্লাহৰ বাহিৰে আন সকলো উপাস্যক অস্বীকাৰ কৰিলে, তাৰ ধন-সম্পদ আৰু জীৱন নিৰাপদ হ'ল আৰু তাৰ কৃতকৰ্মৰ হিচাপ নিকাচ আল্লাহৰ ওপৰত। [মুছলিম:২৩]

এজন কাফিৰক ইছলামৰ প্ৰতি আহ্বানৰ বাবে প্ৰথমেই এই কলিমাৰ স্বীকৃতি বিচৰা হয়। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া মু'আয ৰাদিয়াল্লাহু 'আনহুক য়ামানলৈ ইছলামৰ দাৱাতৰ বাবে প্ৰেৰণ কৰিছিল তেতিয়া তেওঁক কৈছিলঃ

«إِنَّكَ تَأْتِي قَوْمًا مِنْ أَهْلِ الْكِتَابِ، فَادْعُهُمْ إِلَى شَهَادَةِ أَنَّ لَا إِلَهَ إِلَّا اللهُ»

তুমি আহলে কিতাবৰ ওচৰলৈ গৈ আছা, এতেকে সৰ্বপ্ৰথম সিহঁতক ''লা ইলা-হা ইল্লাল্লাহ''ৰ সাক্ষ্য দান কৰাৰ বাবে আহ্বান কৰিবা। (বুখাৰী: ৪৩৪৭; মুছলিম: ১৯)

প্ৰিয় পাঠকসকল! এতিয়া চিন্তা কৰক, দ্বীনৰ দৃষ্টিত এই কলিমাৰ স্থান কোন পৰ্যায়ত আৰু ইয়াৰ গুৰুত্ব কিমান। এই বাবেই বান্দাৰ প্ৰথম কাম হৈছে এই কলিমাৰ স্বীকৃতি দান কৰা; কিয়নো ই হৈছে সকলো কৰ্মৰ মূল ভিত্তি।

**২. لاَ إِلٰهَ إِلاَّ اللهُ ৰ ফজীলত:**

এই কলিমাৰ বহুতো ফজীলত বৰ্ণিত হৈছে আৰু আল্লাহৰ ওচৰত ইয়াৰ বিশেষ মৰ্যাদা আছে।

[1] ইবনে ৰজব, কালিমাতুল ইখলাছ, পৃ. ৫২-৫৩।

তাৰ মাজত বিশেষভাৱে উল্লেখযোগ্য:

- যি ব্যক্তিয়ে সত্যনিষ্ঠভাৱে এই কলিমা পাঠ কৰিব আল্লাহে তাক জান্নাতত প্ৰৱেশ কৰাব। আৰু যি ব্যক্তি মিছাকৈ এই কলিমা পাঠ কৰিব তেন্তে ই পৃথিৱী তাৰ জীৱন আৰু সম্পদৰ হিফাজত কৰিব ঠিক, কিন্তু সি ইয়াৰ হিচাপ নিকাচ আল্লাহৰ ওচৰত দিব লাগিব।
- এইটো এটা সংক্ষিপ্ত বাক্য, কেইটিমান বৰ্ণ আৰু শব্দৰ সমাৰোহ মাত্ৰ, উচ্চাৰণ কৰোতেও অতি সহজ কিন্তু কিয়ামতৰ দিনা মীযানৰ তুলাচনীত হ'ব বৰ গধূৰ।

ইবনে হিব্বান আৰু হাকিমে আবু ছা'ঈদ খুদৰী ৰাদিয়াল্লাহু 'আনহু)ৰ পৰা বৰ্ণনা কৰিছে, ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«قَالَ مُوسَى يَا رب عَلمنِي شَيْئا أذكرك وأدعوك بِهِ قَالَ يَا مُوسَى قل لَا إِلَه إِلَّا الله قَالَ كل عِبَادك يَقُولُونَ هَذَا قَالَ يَا مُوسَى لَو أَن السَّمَوَات السَّبع وعامرهن غَيْرِي والأرضيين السَّبع فِي كفة وَلَا إِلَه إِلَّا الله فِي كفة مَالَتْ بِهن لَا إِلَه إِلَّا الله»

"মূছা 'আলাইহিচ ছালামে এবাৰ আল্লাহ তা'আলাক ক'লে, "হে ৰব, মোক এনেকুৱা কিবা এটা শিক্ষা দিয়ক যিটোৰ দ্বাৰা মই আপোনাক স্মৰণ কৰিম আৰু আপোনাক আহ্বান কৰিম'। আল্লাহে ক'লে, 'হে মূছা! কোৱা, "لاَ إِلَهَ إِلاَّ اللهُ"। মূছা 'আলাইহিচ ছালামে ক'লে, 'এইটো দেখুন আপোনাৰ সকলো বান্দাই কয়'। আল্লাহে ক'লে, 'হে মূছা! মই ব্যতীত সপ্তাকাশ আৰু ইয়াৰ মাজত অৱস্থানকাৰী সকলো বস্তু আৰু সপ্ত পৃথিৱী যদি এটা পাল্লাত ৰখা হয় আৰু " لاَ إِلَهَ إِلاَّ اللهُ"ক এটা পাল্লাত ৰখা হয় তেনেহ'লে 'লা ইলা-হা ইল্লাল্লাহ'ৰ পাল্লা ভাৰী হ'ব"। (হাকিমে কৈছেঃ হাদিছটো ছহীহ)।[2]

এতেকে এই হাদীছৰ মাধ্যমত প্ৰমাণ পোৱা গ'ল যে, লা ইলা-হা ইল্লাল্লাহ হৈছে, আটাইতকৈ উত্তম যিকিৰ বা স্মৰণ।

আব্দুল্লাহ ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে, সবাতোকৈ উত্তম দুআ আৰাফাত দিৱসৰ দুআ আৰু সবাতোকৈ উত্তম কথা যিটো মই আৰু মোৰ পূৰ্বৱৰ্তী নবীসকলে কৈছে, সেয়া হৈছে,

[2] হাকিম (১/৫২৮); ইবনে হিব্বান, হাদীছ নং (২৩২৪) মাৱাৰিদ।

(لاَ إِلهَ إِلاَّ اللهُ وَحْدَهُ لاَ شَرِيْكَ لَهُ ، لَهُ الـمُـلْكُ وَ لَهُ الحَمْدُ وَ هُوَ عَلَى كُلِّ شَيْءٍ قَدِيْرٌ)

"আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, তেওঁৰ কোনো অংশীদাৰ নাই। ৰাজত্ব একমাত্ৰ তেওঁৰেই আৰু প্ৰশংসাও কেৱল তেওঁৰ বাবেই, তেওঁ সকলো বস্তু ওপৰত ক্ষমতাবান"।[3]

- এই কলিমা যে সকলোতকৈ বেছি গুৰুত্বপূৰ্ণ আৰু গধুৰ তাৰ আৰু এটা প্ৰমাণ হৈছে, আব্দুল্লাহ ইবনে 'আমৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত এটা হাদীছ, ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«إِنَّ اللَّهَ سَيُخَلِّصُ رَجُلًا مِنْ أُمَّتِي عَلَى رُءُوسِ الخَلَائِقِ يَوْمَ القِيَامَةِ فَيَنْشُرُ عَلَيْهِ تِسْعَةً وَتِسْعِينَ سِجِلًّا كُلُّ سِجِلٍّ مِثْلُ مَدِّ البَصَرِ، ثُمَّ يَقُولُ: أَتُنْكِرُ مِنْ هَذَا شَيْئًا؟ أَظَلَمَكَ كَتَبَتِي الحَافِظُونَ؟ فَيَقُولُ: لَا يَا رَبِّ، فَيَقُولُ: أَفَلَكَ عُذْرٌ؟ فَيَقُولُ: لَا يَا رَبِّ، فَيَقُولُ: بَلَى إِنَّ لَكَ عِنْدَنَا حَسَنَةً، فَإِنَّهُ لَا ظُلْمَ عَلَيْكَ اليَوْمَ، فَتَخْرُجُ بِطَاقَةٌ فِيهَا: أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللَّهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ، فَيَقُولُ: احْضُرْ وَزْنَكَ، فَيَقُولُ: يَا رَبِّ مَا هَذِهِ البِطَاقَةُ مَعَ هَذِهِ السِّجِلَّاتِ، فَقَالَ: إِنَّكَ لَا تُظْلَمُ "، قَالَ: «فَتُوضَعُ السِّجِلَّاتُ فِي كَفَّةٍ وَالبِطَاقَةُ فِي كَفَّةٍ، فَطَاشَتِ السِّجِلَّاتُ وَثَقُلَتِ البِطَاقَةُ، فَلَا يَثْقُلُ مَعَ اسْمِ اللَّهِ شَيْءٌ»

"কিয়ামতৰ দিনা মোৰ উম্মতৰ এজন ব্যক্তিক সকলো মানুহৰ সন্মুখত মাতা হ'ব, তাৰ সন্মুখত নিৰানৈব্বইটা (পাপ কৰ্মৰ) নিবন্ধ পুথি ৰখা হ'ব আৰু একোটা পুথিৰ পৰিধি হ'ব চকুদৃষ্টিৰ সীমাৰেখাৰ সমান। ইয়াৰ পিছত তাক কোৱা হ'ব, 'এই নিবন্ধ পুথিত যি লিপিবদ্ধ হৈছে সেইবোৰ তুমি অস্বীকাৰ কৰানে'? উত্তৰত সেই ব্যক্তিয়ে ক'ব, 'হে ৰব! মই সেইবোৰ অস্বীকাৰ নকৰো'। তাৰ পিছত কোৱা হ'ব, 'এই সম্পৰ্কে তোমাৰ কোনো আপত্তি আছে নেকি? অথবা ইয়াৰ পৰিবৰ্তে তোমাৰ কোনো নেক আমল আছে নেকি'? তেতিয়া সি ভীত-সন্ত্ৰস্ত অৱস্থাত ক'ব, 'নাই, একো নাই'। তাৰ পিছত তাক কোৱা হ'ব, 'মোৰ ওচৰত তোমাৰ এটা পুণ্য আছে আৰু তোমাৰ ওপৰত কোনো প্ৰকাৰ অত্যাচাৰ কৰা নহ'ব', ফলত তাৰ বাবে এখন কাৰ্ড উলিয়াই আনা হ'ব, তাত লিখা থাকিব,

---

[3] তিৰমিজী, কিতাবুদ দাওৱাহ, হাদীছ নং-২৩২৪।

" أَشْهَدُ أَنْ لاَ إِلَهَ إِلاَّ اللهُ وَ أَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَ رَسُوْلُهُ "

'মই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই লগতে মই আৰু সাক্ষ্য দিওঁ যে, মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম আল্লাহৰ বান্দা আৰু তেওঁৰ ৰাছুল।' তেতিয়া সেই ব্যক্তি বিস্ময়ৰ সৈতে ক'ব, 'হে মোৰ ৰব! এইখন কি কাৰ্ড, যিটো নিৰানৈৰ্ব্বইটা নিবন্ধ পুথিৰ সমতুল্য'? তেতিয়া কোৱা হ'ব, 'তোমাৰ ওপৰত অকণো অন্যায় কৰা নহ'ব'। তাৰ পিছত সেই নিৰানৈৰ্ব্বইটা পুথি এটা পাল্লাত ৰখা হ'ব আৰু সেই কাৰ্ডখন আন এটা পাল্লাত ৰখা হ'ব তেতিয়া সেই পুথিবোৰৰ ওজন কাৰ্ডখনৰ তুলনাত অত্যন্ত নগণ্য হ'ব আৰু কাৰ্ড থকা পাল্লাটো ভাৰী হ'ব।"[4]

হাফিজ ইবনে ৰজব ৰাহিমাহুল্লাহে তেওঁৰ "কালিমাতুল ইখলাছ" নামক গ্ৰন্থত এই মহামূল্যবান কলিমাৰ আৰু বহুতো ফজীলত বৰ্ণনা কৰিছে আৰু প্ৰত্যেকটোৰ সপক্ষে দলীল-প্ৰমাণাদি উল্লেখ কৰিছে। তাৰ মাজত আছে, এই কলিমা হ'ব জান্নাতৰ মূল্য, কোনো ব্যক্তিয়ে জীৱনৰ শেষ মূহুৰ্ততো যদি এই কলিমা পাঠ কৰি মৃত্যুবৰণ কৰে সি জান্নাতত প্ৰৱেশ কৰিব, এইটোৱেই জাহান্নামৰ পৰা মুক্তিৰ একমাত্ৰ পথ আৰু আল্লাহৰ ক্ষমা নিশ্চিত কৰাৰ মাধ্যম, সকলো ধৰণৰ পূণ্য কৰ্মসমূহৰ মাজত এই কলিমাই শ্ৰেষ্ঠ, ই পাপ পঙ্কিলতাক দূৰীভূত কৰে, হৃদয় মনত ঈমানৰ যি নিশ্চিহ্ন হৈ যায় এই কলিমাই সেইবোৰক সজীৱ কৰে, স্তুপকৃত পাপ-ৰাশি সম্বলিত বালাম গ্ৰন্থবোৰৰ ওপৰত এই কলিমা ভাৰী হ'ব। আল্লাহক পোৱাৰ পথত যিমানবোৰ প্ৰতিবন্ধকতা আছে সেই সকলোবোৰকে এই কলিমাই ছিন্ন-ভিন্ন কৰি আল্লাহৰ ওচৰত পৌঁচাই দিব। এই কলিমাৰ স্বীকৃতি দানকাৰীক আল্লাহে সত্যায়িত কৰিব। নবীসকলৰ কথাৰ মাজত এইটোৱেই হৈছে আটাইতকৈ উত্তম কথা, এইটোৱেই হৈছে সবাতোকৈ উত্তম আমল, আৰু এইটোৱেই হৈছে এনেকুৱা আমল যিটো বহুগুণ বৰ্ধিত হয়। এইটো দাস মুক্তি কৰাৰ সমতুল্য। চয়তানৰ পৰা হিফাজতকাৰী। কবৰ আৰু হাছৰৰ বিভীষিকাময় অৱস্থাৰ নিৰাপত্তা দানকাৰী। কবৰৰ পৰা উঠাৰ পিছত এই কলিমাই হ'ব মুমিনসকলৰ শ্লোগান।

[4] জামে' আত তিৰমিজী, হাদিছ নং ২৬৩৯; আ্ল হাকিম ২য় খন্ড, পৃষ্ঠা ৫-৬।

এই কলিমাৰ ফজীলতৰ মাজত আৰু এটা হৈছে, এই কলিমাৰ স্বীকৃতি দানকাৰীৰ বাবে জান্নাতৰ আঠ টা দুৱাৰ খুলি দিয়া হ'ব আৰু সি নিজ ইচ্ছামতে যিকোনো দুৱাৰেৰে প্ৰৱেশ কৰিব পাৰিব।

এই কলিমাৰ আন এটা ফজীলত হৈছে, ইয়াৰ সাক্ষ্যদানকাৰীয়ে ইয়াৰ দাবী অনুযায়ী পূৰ্ণভাৱে আমল নকৰাৰ ফলত আৰু বিভিন্ন অপৰাধৰ ফল স্বৰূপে জাহান্নামত প্ৰৱেশ কৰিলেও অৱশ্যে কোনো এটা সময়ত জাহান্নামৰ পৰা মুক্তি লাভ কৰিব।

ইবনে ৰজব ৰাহিমাহুল্লাহে তেওঁৰ উক্ত পুথিত এই কলিমাৰ এইবোৰ ফজীলত বৰ্ণনাৰ বাবে যি পৰিচ্ছেদ ৰচনা কৰিছে এইটো হৈছে তাৰ বৰ্ণনা। তেওঁ এই গোটেইবোৰ, দলীল প্ৰমাণাদিসহ বৰ্ণনা কৰিছে।[5]

## ৩. এই কলিমাৰ ব্যকৰণগত আলোচনা, ইয়াৰ স্তম্ভ আৰু চৰ্তসমূহ

□ এই কলিমাৰ ব্যকৰণগত আলোচনা:

যিহেতু বহুতো বাক্যৰ অৰ্থ বুজাটো নিৰ্ভৰ কৰে তাৰ ব্যকৰণগত আলোচনাৰ ওপৰত, সেয়ে ওলামায়ে কেৰামে "لاَ إِلَهَ إِلاَّ اللهُ" এই বাক্যৰ ব্যকৰণগত আলোচনাৰ প্ৰতি তেওঁলোকৰ দৃষ্টি নিবন্ধ কৰিছে আৰু তেওঁলোকে কৈছে যে, এই বাক্যত "لا" শব্দটো 'নাফিয়া লিল জিনছ' (সমগোত্ৰীয় অৰ্থ নিষিদ্ধকাৰী নিষেধসূচক বাক্য) আৰু إله (ইলাহ) শব্দটো ইয়াৰ ইছিম (উদ্দেশ্য), মাবনি আলাল ফাতাহ্ (যিটো সৰ্বাৱস্থাতেই ফাতাহ বা যবৰ বিশিষ্ট হয়)। আৰু ইয়াৰ খবৰটো (বিধেয়টো) ইয়াত উহ্য, সেইটো হৈছে حق শব্দ। অৰ্থাৎ কোনো হক বা সত্য ইলাহ নাই। إِلاَّ اللهُ হৈছে খবৰ, (বিধেয়) যিটো মাৰফু (পেচ হোৱাৰ স্থানত; কাৰণ সেয়া) "حق" শব্দৰ পৰা ইছতেছনা বা ভিন্ন। অৰ্থাৎ আল্লাহৰ বাহিৰে হক বা সত্য ইলাহ বুলি কোনো নাই।

"إله" শব্দৰ অৰ্থ ''মা'বুদ'' আৰ তেওঁ হৈছে সেই সত্তা যি সত্তাৰ প্ৰতি কল্যাণৰ আশাত আৰু অকল্যাণৰ পৰা বচাৰ বাবে হৃদয়ৰ আসক্তি সৃষ্টি হয় আৰু মনে তাৰ উপাসনা কৰে।

ইয়াত কোনোবাই যদি ভাৱে যে, উক্ত খবৰটো হৈছে ''মাউজুদুন'' বা ''মা'বুদুন'' অথবা এই ধৰণৰ কোনো শব্দ, তেন্তে সেইটো হ'ব অত্যন্ত ভুল। কাৰণ বাস্তৱ এই যে,

[5] ইবনে ৰজব, কালিমাতুল ইখলাছ, পৃ. ৫৪-৬৬।

আল্লাহৰ বাহিৰে বহুতো মা'বুদ বিদ্যমান আছে যেনে মূৰ্তি, মাজাৰ ইত্যাদি। কিন্তু আল্লাহ হৈছে সত্য মাবুদ, আৰু তেওঁৰ বাহিৰে আন যিমান মা'বুদ আছে বা আন যিবোৰৰ ইবাদত কৰা হয় সেয়া হৈছে অসত্য আৰু ভ্ৰান্ত। আৰু এইটোৱেই হৈছে " لَا إِلٰهَ إِلَّا اللّٰهُ " ৰ নহয় বোধক আৰু হয়বোধক এই দুই স্তম্ভৰ মূল দাবী।

**لَا إِلٰهَ إِلَّا اللّٰهُ এই কলিমাৰ ৰুকনসমূহ:**

এই কলিমাৰ আছে দুটা স্তম্ভ বা ৰুকন। তাৰে প্ৰথম ৰুকনটো হৈছে নহয়বোধক আৰু আনটো হৈছে হয়বোধক।

নহয়বোধক কথাটোৰ অৰ্থ হৈছে, আল্লাহৰ বাহিৰে সকলো বস্তুৰ ইবাদতক অস্বীকাৰ কৰা, আৰু হয়বোধক কথাটোৰ অৰ্থ হৈছে একমাত্ৰ আল্লাহেই সত্য মা'বুদ। আৰু মুশ্বৰিকবিলাকে আল্লাহৰ বাহিৰে যিবোৰ মা'বুদৰ উপাসনা কৰে সেই সকলোবোৰ হৈছে বাতিল আৰু বানোৱাট মা'বুদ। আল্লাহ তা'আলাই কৈছেঃ

﴿ذَٰلِكَ بِأَنَّ ٱللَّهَ هُوَ ٱلۡحَقُّ وَأَنَّ مَا يَدۡعُونَ مِن دُونِهِۦ هُوَ ٱلۡبَٰطِلُ وَأَنَّ ٱللَّهَ هُوَ ٱلۡعَلِيُّ ٱلۡكَبِيرُ ٦٢﴾ [الحج: ٦٢]

"আৰু এই কাৰণেও যে, নিশ্চয় আল্লাহ, কেৱল তেৱেঁই সত্য আৰু তেওঁৰ বাহিৰে সিহঁতে যিবোৰক আহ্বান কৰে, সেই সকলো অসত্য। নিশ্চয় আল্লাহ, তেৱেঁই সুউচ্চ, সুমহান"। (আল হাজ্জ-৬২)

ইমাম ইবনুল কাইয়্যিমে কৈছেঃ "আল্লাহ তা'আলা ইলাহ বা মাবুদ" এই কথাতকৈ "আল্লাহৰ বাহিৰে আন কোনো সত্য মাবুদ নাই" এই বাক্যটো আল্লাহৰ উলুহিয়াত প্ৰতিষ্ঠাৰ বাবে অধিক মজবুত দলীল; কিয়নো "আল্লাহ ইলাহ" এই কথাৰ দ্বাৰা আন আন যিমান ভ্ৰান্ত ইলাহ আছে সেইবোৰৰ ইলাহ বা মা'বুদ হোৱাক অস্বীকাৰ কৰা নুবুজায়। আনহাতে "আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই" এই বাক্যটোৱে উলুহিয়্যাতক একমাত্ৰ আল্লাহৰ বাবে সীমাবদ্ধ কৰি দিয়ে আৰু আন আন সকলো বাতিল ইলাহক অস্বীকাৰ কৰে। কিছুমান লোকে চৰম ভুলবশতঃ কৈ থাকে যে, "ইলাহ" শব্দৰ অৰ্থ "সৃষ্টি কৰাৰ ক্ষমতাৰ অধিকাৰী।"

শ্বাইখ ছুলাইমান ইবন আব্দুল্লাহে তেওঁৰ কিতাবুত তাওহীদৰ ব্যাখ্যাত কৈছেঃ "ইলাহ আৰু উলুহিয়্যাতৰ" অৰ্থ স্পষ্ট হ'ল, (অৰ্থাৎ সেয়া হৈছে মা'বুদ বা উপাস্য) কিন্তু

কোনোবাই যদি কয় যে, ‘‘ইলাহ’’ শব্দৰ অৰ্থ হৈছে, সৃষ্টি কৰাৰ ক্ষমতাৰ অধিকাৰী’’ বা অনুৰূপ কোনো কথা, তেতিয়া তাৰ উত্তৰত কি কোৱা হ’ব?

দৰাচলতে এই প্ৰশ্নৰ উত্তৰৰ দুটা পৰ্যায় আছে, প্ৰথমঃ এইটো এটা উদ্ভট, অজ্ঞতাপ্ৰসূত কথা। এই ধৰণৰ কথা বিদ‘আতী ব্যক্তিসকলেই কৈ থাকে, কোনো বিজ্ঞ আলিম বা আৰবী ভাষাবিদসকলে ‘‘ইলাহ’’ শব্দৰ এই ধৰণৰ অৰ্থ কৰিছে বুলি কোনোবাই কব নোৱাৰিব বৰং তেওঁলোকে এই শব্দৰ সেইটো অৰ্থহে কৰিছে যিটো আমি পূৰ্বে আলোচনা কৰিলো[6]। এতেকে, এই খিনিতে এই ধৰণৰ ব্যাখ্যা ভুল বুলি প্ৰমাণিত হ’ল।

দ্বিতীয়ঃ ক্ষন্তেকৰ বাবে এই অৰ্থক মানি ললেও এনেও ‘‘সত্য ইলাহ’’ যিজন হ’ব তেওঁৰ বাবে সৃষ্টি কৰাৰ গুণাৱলী একান্তই অপৰিহাৰ্য, এতেকে ‘‘ইলাহ’’ হোৱাৰ বাবে সৃষ্টি কৰাৰ সাৰ্বিক যোগ্যতা থকাতো এনেও তাৰ লগত জড়িত, আৰু যিকোনো বস্তু সৃষ্টি কৰিবলৈ অক্ষম সি দেখুন ‘‘ইলাহ’’ হ’বই নোৱাৰে, যদিও তাক ইলাহ ৰূপে কোনোবাই অভিহিত নকৰক কিয়। এতেকে কোনোবাই যদি ‘ইলাহ’ৰ দ্বাৰা ‘সৃষ্টি কৰিবলৈ সমৰ্থ’ এইটো বুজিছে তেন্তে ভাবিব লাগিব তেওঁ এইটোৱেই উদ্দেশ্য লৈছে যে, যিজন ইলাহ বা মা‘বুদ হ’ব তেওঁৰ মাজত এই বাধ্যতামূলক ক্ষমতাটো থাকিব লাগিব। তাৰ উদ্দেশ্য এইটো নহয় যে, ‘ইলাহ’ বোলোতে ‘নতুনকৈ সৃষ্টি কৰিবলৈ সমৰ্থ’ এই খিনি বিশ্বাসৰ মাধ্যমত কোনো ব্যক্তিৰ ইছলামৰ গণ্ডিত প্ৰৱেশৰ বাবে যথেষ্ট হ’ব অথবা এইখিনি কথা কিয়ামতৰ দিনা জান্নাত লাভৰ বাবেও যথেষ্ট হ’ব। যদি এইখিনি বিশ্বাসেই যথেষ্ট হ’লেহেঁতেন তেনেহ’লে আৰবৰ কাফিৰ সকলেও মুছলিম বুলি গণ্য হ’লেহেঁতেন। সেয়ে এই যুগৰ কোনো লেখকে যদি ‘‘ইলাহ’’ শব্দৰ এই অৰ্থই কৰিছে তেনেহ’লে তাক ভ্ৰান্ত বুলিহে কোৱা হ’ব লগতে কোৰআন হাদীছৰ জ্ঞানগৰ্ভ দলীলৰ দ্বাৰা ইয়াৰ প্ৰতিবাদ কৰাও একান্ত প্ৰয়োজন।[7]

**لَا إِلَهَ إِلَّا اللهُ ৰ চৰ্তসমূহঃ**

[6] চাওঁক, লা ইলা-হা ইল্লাল্লাহৰ ৰুকনৰ বৰ্ণনা।

[7] তাইছীৰুল আযীযিল হামীদ পৃ. ৮০।

এই পৱিত্ৰ কলিমাৰ সাতটা[8] চৰ্ত পূৰণ নকৰালৈকে ইয়াৰ মৌখিক উচ্চাৰণ কোনো কামত নাহিব।

**প্ৰথম চৰ্ত:** এই কলিমাৰ নহয়বোধক আৰু হয়বোধক দুটা অংশৰ অৰ্থ সম্পৰ্কে পৰিপূৰ্ণ জ্ঞান থকা প্ৰয়োজন। অৰ্থ আৰু উদ্দেশ্য নুবুজি কেৱলমাত্ৰ মুখেৰে এই কলিমা উচ্চাৰণ কৰাৰ মাজত কোনো লাভ নাই। কিয়নো সেই ক্ষেত্ৰত সেই ব্যক্তি এই কলিমাৰ মৰ্মৰ ওপৰত ঈমান আনিবলৈ সক্ষম নহ'ব। আৰু তেতিয়া সেই ব্যক্তিৰ উদাহৰণ হ'ব সেই লোকৰ দৰে যিজনে এনেকুৱা এটা অপৰিচিত ভাষাত কথা কোৱা আৰম্ভ কৰিলে যি ভাষা সম্পৰ্কে তাৰ সামান্যতম জ্ঞানও নাই।

**দ্বিতীয় চৰ্ত:** ইয়াকীন বা দৃঢ় প্ৰত্যয়। অৰ্থাৎ এই কলিমাৰ মাধ্যমত যি কথাৰ স্বীকৃতি দান কৰা হ'ল তাত সামান্যতমো সন্ধেহ পোষণ কৰা নচলিব।

**তৃতীয় চৰ্ত**: সেই ইখলাছ বা নিষ্ঠা, যিটো لاَ إِلَهَ إِلاَّ اللهُ ৰ দাবী অনুযায়ী সেই ব্যক্তিক শ্বিৰ্কৰ পৰা মুক্ত ৰাখিব।

**চতুৰ্থ চৰ্ত:** এই কলিমাৰ পাঠকাৰী সত্যবাদী হ'ব লাগিব, যি সত্যবাদীতাই তাক মুনাফিকী আচৰণৰ পৰা বিৰত ৰাখিব। মুনাফিকসকলেও لاَ إِلَهَ إِلاَّ اللهُ এই কলিমা মৌখিকভাৱে উচ্চাৰণ কৰে, কিন্তু ইয়াৰ নিগূঢ় তত্ত্ব আৰু প্ৰকৃত অৰ্থত সিহঁত বিশ্বাসী নহয়।

**পঞ্চম চৰ্ত:** মুহাব্বত। অৰ্থাৎ মুনাফেকী আচৰণ এৰি এই কলিমাক সানন্দচিত্তে গ্ৰহণ কৰিব লাগিব আৰু ভাল পাব লাগিব।

**ষষ্ঠ চৰ্ত:** আনুগত্য কৰা। এই কলিমাৰ দাবী অনুযায়ী তাৰ হকসমূহ আদায় কৰা, আৰু সেয়া হৈছে আল্লাহৰ বাবে নিষ্ঠা আৰু তেওঁৰ সন্তুষ্টি লাভৰ বাবে ফৰজ ওৱাজিব কাজসমূহ পালন কৰা।

[8] কিছুমান আলিমে ইয়াৰ লগত অষ্টম চৰ্ত যোগ কৰিছে, আৰু সেয়া হৈছে, তাগুতক অস্বীকাৰ কৰা।

**সপ্তম চৰ্ত:** আন্তৰিক ভাৱে এই কলিমাক কবুল কৰা আৰু ইয়াৰ পিছত দ্বীনৰ কোনো কৰ্মক প্ৰত্যাখান কৰাৰ পৰা নিজকে বিৰত ৰখা[9]। অৰ্থাৎ আল্লাহৰ যাৱতীয় আদেশ পালন কৰিব লাগিব আৰু তেওঁৰ নিষিদ্ধ সকলো কৰ্ম পৰিহাৰ কৰিব লাগিব।

এই চৰ্তসমূহ প্ৰখ্যাত আলিমসকলে কোৰআন হাদীছৰ আলোকতেই চয়ন কৰিছে, এতেকে এই কলিমা কেৱল মুখেৰে উচ্চাৰণ কৰিলেই যথেষ্ট এনেকুৱা ধাৰণা ঠিক নহয়।

## 8. لاَ إِلٰهَ إِلاَّ اللّٰهُ এই কলিমাৰ অৰ্থ আৰু তাৰ দাবী

পূৰ্ববৰ্তী আলোচনাৰ পৰা এই কলিমাৰ অৰ্থ আৰু ইয়াৰ উদ্দেশ্য সম্পৰ্কে এই কথা স্পষ্ট হ'ল যে, لاَ إِلٰهَ إِلاَّ اللّٰهُ ৰ অৰ্থ হৈছে, সত্য আৰু হক মাবুদ বুলিলে যি ইলাহক বুজায় তেওঁ হৈছে একমাত্ৰ আল্লাহ, যাৰ কোনো অংশীদাৰ নাই আৰু তেৰেঁই একমাত্ৰ ইবাদত পোৱাৰ অধিকাৰী। সেয়ে এই মহান কলিমাৰ অৰ্থত এইটোও অন্তৰ্ভুক্ত যে, তেওঁৰ বাহিৰে যিমান মাবুদ আছে সকলো অসত্য আৰু বাতিল, সেয়ে সিহঁত ইবাদত পোৱাৰ অযোগ্য।

এই বাবেই অধিকাংশ সময়ত আল্লাহ তা'আলাৰ ইবাদতৰ আদেশৰ লগত তেওঁৰ বাহিৰে আন কাৰো ইবাদত কৰিবলৈ নিষেধ কৰা সম্বলিত নিৰ্দেশনা আহিছে। কিয়নো আল্লাহৰ ইবাদতৰ লগত আনক অংশীদাৰ কৰা হ'লে সেই ইবাদত গ্ৰহণযোগ্য নহ'ব। আল্লাহ তা'আলাই কৈছেঃ

﴿ ۞وَٱعۡبُدُواْ ٱللَّهَ وَلَا تُشۡرِكُواْ بِهِۦ شَيۡـٔٗاۖ ﴾ [النساء: ٣٦]

"তোমালোকে আল্লাহৰ ইবাদত কৰা, আৰু তেওঁৰ লগত আন কাকো অংশীদাৰ স্থাপন নকৰিবা।" (আন নিছা-৩৬)

আল্লাহে আৰু কৈছেঃ

﴿فَمَن يَكۡفُرۡ بِٱلطَّٰغُوتِ وَيُؤۡمِنۢ بِٱللَّهِ فَقَدِ ٱسۡتَمۡسَكَ بِٱلۡعُرۡوَةِ ٱلۡوُثۡقَىٰ لَا ٱنفِصَامَ لَهَاۗ وَٱللَّهُ سَمِيعٌ عَلِيمٌ ٢٥٦﴾ [البقرة: ٢٥٦]

---

[9] ফাতহুল মাজীদ, পৃ. ৯১।

“এতেকে যিয়ে তাগুতক অস্বীকাৰ কৰিব আৰু আল্লাহৰ প্ৰতি ঈমান আনিব সি এনেকুৱা এডাল ৰছীত খামুচি ধৰিলে যিটো কেতিয়াও বিচ্ছিন্ন নহ’ব; আৰু আল্লাহ সৰ্বশ্ৰোতা, সৰ্বজ্ঞানী।” (আল বাকাৰাহ-২৫৬)

তেওঁ আৰু কৈছেঃ

﴿ وَلَقَدۡ بَعَثۡنَا فِي كُلِّ أُمَّةٖ رَّسُولًا أَنِ ٱعۡبُدُواْ ٱللَّهَ وَٱجۡتَنِبُواْ ٱلطَّٰغُوتَۖ ﴾ [النحل: ٣٦]

“আৰু অৱশ্যে আমি প্ৰত্যেক জাতিৰ ওচৰতেই ৰাছুল পঠাইছিলো এই নিৰ্দেশ প্ৰদান কৰি যে, তোমালোকে আল্লাহৰ ইবাদত কৰা আৰু তাগুতক পৰিহাৰ কৰা।” (আন নাহাল-৩৬)

ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«مَنْ قَالَ: لَا إِلَهَ إِلَّا اللهُ، وَكَفَرَ بِمَا يُعْبَدُ مَنْ دُونِ اللهِ، حَرُمَ مَالُهُ، وَدَمُهُ»

“যি ব্যক্তিয়ে ক’লে, ‘লা ইলা-হা ইল্লাল্লাহ, আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই আৰু তেওঁ আল্লাহৰ বাহিৰে সকলো বস্তুৰ ইবাদতক অস্বীকাৰ কৰিলে’ তেওঁ নিজৰ জীৱন আৰু সম্পদ আনৰ বাবে হাৰাম কৰিলে।”[10]

প্ৰত্যেক ৰাছুলেই নিজ জাতিক কৈছেঃ

﴿ ٱعۡبُدُواْ ٱللَّهَ مَا لَكُم مِّنۡ إِلَٰهٍ غَيۡرُهُۥٓ ﴾ [الاعراف: ٥٩]

“তোমালোকে একমাত্ৰ আল্লাহৰ ইবাদত কৰা, তেওঁৰ বাহিৰে তোমালোকৰ আন কোনো সত্য ইলাহ নাই।” (আল-আ‘ৰাফ, ৫৯) ইয়াৰ বাহিৰেও এই সম্পৰ্কে আৰু প্ৰমাণাদি আছে।

ইবনে ৰজবে কৈছেঃ কলিমাৰ এই অৰ্থ বাস্তবায়িত হ’ব তেতিয়া, যেতিয়া বান্দাহে لاَ إِلهَ إِلاَّ اللهُ ৰ স্বীকৃতি দান কৰাৰ পিছত এইটো বিশ্বাস কৰিব যে, আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই আৰু মাবুদ হোৱাৰ একমাত্ৰ যোগ্য সেই সত্তা যাক ভয়-ভীতি, বিনয়-ভালপোৱা, আশা-ভৰসা সহকাৰে আনুগত্য কৰা হয়, যাৰ ওচৰত প্ৰাৰ্থনা

[10] মুছলিম কিতাবুল ঈমান হাদীছ-নং ২৩।

কৰা হয়, যাৰ সমীপত দুআ কৰা হয় আৰু যাৰ অবাধ্যতাৰ পৰা বিৰত থকা হয়। আৰু এইবোৰ কৰ্ম একমাত্ৰ মহান আল্লাহৰ বাহিৰে আন কাৰো বাবে প্ৰযোজ্য নহয়।

এই বাবে ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া মক্কাৰ কাফিৰসকলক ক'লে, তোমালোকে কোৱা, لاَ إِلٰهَ إِلاَّ اللهُ উত্তৰত সিহঁতে ক'লে,

﴿ أَجَعَلَ ٱلۡأٓلِهَةَ إِلَٰهٗا وَٰحِدًاۖ إِنَّ هَٰذَا لَشَيۡءٌ عُجَابٞ ۝٥ ﴾ [ص: ٥]

“এওঁ সকলো ইলাহক কেৱল এজন ইলাহ বনাই লৈছে নেকি? নিশ্চয় এইটো এটা অত্যাশ্চৰ্য বিষয়!” (ছুৰা ছোৱাদ-৫)

ইয়াৰ অৰ্থ হৈছে সিহঁতে বুজিব পাৰিছে যে, এই কলিমাৰ স্বীকৃতি মানেই এতিয়াৰ পৰা মূৰ্তিপূজা বাতিল কৰিব লাগিব আৰু ইবাদত একমাত্ৰ আল্লাহৰ বাবেই নিৰ্ধাৰণ কৰিব লাগিব। আৰু সিহঁতে কেতিয়াও এনোকুৱা কামনা নকৰে। সেয়ে ইয়াতেই প্ৰমাণিত হ'ল যে, لاَ إِلٰهَ إِلاَّ اللهُ ৰ অৰ্থ আৰু ইয়াৰ দাবী হৈছে ইবাদতক একমাত্ৰ আল্লাহৰ বাবে নিৰ্দিষ্ট কৰা আৰু আল্লাহৰ বাহিৰে আন সকলো উপাস্যৰ ইবাদত পৰিহাৰ কৰা।

এই কাৰণে কোনো ব্যক্তিয়ে যেতিয়া কয়, لاَ إِلٰهَ إِلاَّ اللهُ তেতিয়া সি এই ঘোষণাই প্ৰধান কৰে যে, ইবাদতৰ একমাত্ৰ অধিকাৰী আল্লাহ তা'আলা আৰু তেওঁৰ বাহিৰে আনৰ ইবাদত যেনে, কবৰপূজা, পীৰপূজা ইত্যাদি সকলোবোৰেই বাতিল। ইয়াৰ দ্বাৰা কবৰপূজাৰী আৰু অন্যান্যসকলে যিসকলে ভাৱে যে, لاَ إِلٰهَ إِلاَّ اللهُ ৰ অৰ্থ হৈছে কেৱল এই বুলি স্বীকৃতি দিয়া যে, আল্লাহৰ অস্তিত্ব আছে, অথবা তেওঁ সৃষ্টিকৰ্তা আৰু তেওঁ কিবা উদ্ভাৱন কৰিবলৈ সক্ষম ইয়াৰ বাহিৰে আন একো নুবুজায়, সিহঁতৰ এই সকলো মতবাদ ভ্ৰান্ত বুলি প্ৰমাণিত হ'ল।

আনহাতে বহুতে ধাৰণা কৰে যে, কলিমা لاَ إِلٰهَ إِلاَّ اللهُ ৰ অৰ্থ হৈছে কেৱল “হাকেমিয়াহ বা হুকুমদাতা-বিধানদাতা অথবা সাৰ্বভৌমত্ব কেৱল আল্লাহৰ” আৰু ধাৰণা কৰে যে, যিয়ে তাৰ জীৱনত এই বিশ্বাস কৰিলে, কেৱলমাত্ৰ ইয়াৰ দ্বাৰা ‘লা ইলা-হা ইল্লাল্লাহ'ৰ ব্যাখ্যা কৰিলে, সি নিঃচৰ্ত তাওহীদ প্ৰতিষ্ঠা কৰিলে, ইয়াৰ পিছত যদি আল্লাহৰ বাহিৰে আন কাৰো পূজা-অৰ্চনা কৰা হয় বা মৃত ব্যক্তিসকলৰ বিষয়ে বিশ্বাস কৰা হয় যে, সিহঁতৰ নামত মান্নত, কুৰবানী আৰু ভেট প্ৰদান কৰাৰ মাধ্যমত তেওঁৰ নৈকট্য লাভ

কৰা সম্ভৱ বা সিহঁতৰ কবৰৰ চাৰিওফালে ঘুৰি তাওৱাফ কৰাত নাইবা সিহঁতৰ কবৰৰ মাটিক বৰকতময় বুলি ভৱাত কোনো অসুবিধা নাই আৰু এনে কৰাতো কোনো অসুবিধা নাই। এই লোকসকলে অনুধাৱন কৰিব পৰা নাই যে ইহঁতৰ দৰে এই ধৰণৰ আক্বীদা-বিশ্বাস সেই সময়ৰ মক্কাৰ কাফিৰসকলেও পোষণ কৰিছিল। সিহঁতে বিশ্বাস কৰিছিল যে, আল্লাহেই সৃষ্টিকৰ্তা, একমাত্ৰ উদ্ভাৱক আৰু সিহঁতে অন্যান্য দেৱ-দেৱীৰ ইবাদত কেৱল এই বাবেই কৰিছিল যে, সিহঁতেই সিহঁতক আল্লাহ তা'আলাৰ অতি নিকটৱৰ্তী কৰি দিব। সিহঁতে এইটো কেতিয়াও ভবা নাছিল যে, সেইবোৰ দেৱ-দেৱী সৃষ্টি কৰিবলৈ অথবা জীৱিকা দান কৰিবলৈ সক্ষম। এতেকে 'হাকেমিয়াহ বা বিধানদাতা বা সাৰ্বভৌমত্ব কেৱল আল্লাহৰ বাবে' আৰু এইটোৱেই ''লা ইলা-হা ইল্লাল্লাহ''ৰ প্ৰকৃত অৰ্থ বা একমাত্ৰ অৰ্থ এনেকুৱা নহয় বৰং নিঃসেন্দেহে হাকেমিয়াহ বা বিধান প্ৰদান বা সাৰ্বভৌমত্ব এইবোৰ আল্লাহৰ বাবেই নিৰ্দিষ্ট আৰু সেয়া এই কলিমাৰ অৰ্থ এটা অংশ মাত্ৰ। কিয়নো কোনোবাই যদি এফালে ৰাষ্ট্ৰৰ বিভিন্ন অংশত যেনে, আইন আদালত বা বিচাৰ বিভাগ ইত্যাদিত চৰীয়তৰ হুকুম প্ৰতিষ্ঠা কৰে আনফালে আল্লাহৰ ইবাদতত তেওঁৰ লগত আন কাৰোবাক অংশীদাৰ কৰে তেনেহ'লে ইয়াৰ কোনো মূল্যই নাথাকিব। এনেকেতে কেৱল হাকেমিয়্যাহ বা সাৰ্বভৌমত্ব আল্লাহৰ, এইটো প্ৰতিষ্ঠা কৰিলেই কলিমা লা ইলা-হা ইল্লাল্লাহৰ প্ৰকৃত উদ্দেশ্য সাৰ্থক নহয়।

যদি لَا إِلَهَ إِلَّا اللهُ ৰ অৰ্থ এইটোৱেই হ'লেহেঁতেন যেনেকৈ সেইসকল লোকে ধাৰণা কৰে তেনেহ'লে মক্কাৰ মুশ্বৰিকসকলৰ লগত ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ কোনো দ্বন্দ্বই নাথাকিলেহেঁতেন। তেওঁ সিহঁতক যদি কেৱল এইখিনি কৰলৈ আহ্বান কৰিলেহেঁতেন যে, তোমালোকে কেৱল এই বিষয়ে স্বীকৃতি প্ৰদান কৰা যে, আল্লাহ তা'আলা উদ্ভাৱন কৰিবলৈ সক্ষম। অথবা আল্লাহ বুলি কোনোবা এজন আছে, অথবা তোমালোকে ধন-সম্পদ আৰু অধিকাৰ সংক্ৰান্ত বিষয়বোৰত চৰীয়ত অনুযায়ী ফয়চালা কৰা। লগতে তেওঁ যদি সিহঁতক একমাত্ৰ আল্লাহৰ ইবাদত কৰাৰ কথা কোৱাৰ পৰা বিৰত থাকিলেহেঁতেন তেনেহ'লে সিহঁতে অকণো পলম নকৰি ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ আহ্বানত সঁহাৰি দিলেহেঁতেন। কিন্তু সিহঁতে আৰবী ভাষী হোৱাৰ কাৰণে বুজিব পাৰিছিল যে, لَا إِلَهَ إِلَّا اللهُ ৰ স্বীকৃতি দিয়াৰ অৰ্থই হৈছে সকলো দেৱ-দেৱীৰ ইবাদতক বাতিল বুলি ঘোষণা কৰা। সিহঁতে আৰু বুজি পাইছিল যে, এই

কলিমা কেৱল এনে কিছুমান শব্দৰ সমাৰোহ নহয় যে, যাৰ কোনো অৰ্থ নাই বৰং এই সকলোবোৰ বুজি পোৱাৰ বাবেই সিহঁতে ইয়াৰ স্বীকৃতি দানৰ পৰা বিৰত আছিল আৰু কৈছিল,

﴿ أَجَعَلَ ٱلْـَٔالِهَةَ إِلَـٰهًا وَٰحِدًاۖ إِنَّ هَـٰذَا لَشَىْءٌ عُجَابٌ ۝٥ ﴾ [ص: ٥]

“এওঁ সকলো ইলাহক কেৱল এজন ইলাহ বনাই লৈছে নেকি? নিশ্চয় এইটো এটা অত্যাশ্চৰ্য বিষয়!” [ছুৰা ছোৱাদ:৫]

যেনে সিহঁতৰ বিষয়ে আল্লাহে আৰু কৈছে,

﴿ إِنَّهُمْ كَانُوٓاْ إِذَا قِيلَ لَهُمْ لَآ إِلَـٰهَ إِلَّا ٱللَّهُ يَسْتَكْبِرُونَ ۝٣٥ وَيَقُولُونَ أَئِنَّا لَتَارِكُوٓاْ ءَالِهَتِنَا لِشَاعِرٍ مَّجْنُونٍۭ ۝٣٦ ﴾ [الصافات: ٣٥، ٣٦]

“সিহঁতক যেতিয়া কোৱা হৈছিল, ‘আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই’, তেতিয়া সিহঁতে অহংকাৰ কৰিছিল। আৰু কৈছিল, ‘আমি এজন উন্মাদ কবিৰ কথাত আমাৰ ইলাহসমূহক বৰ্জন কৰিম নেকি’? (আচ-ছাফফাত-৩৫-৩৬)

এতেকে সিহঁতে বুজি পাইছিল যে, **لاَ إِلهَ إِلاَّ الله ৰ** মানেই হৈছে সকলো উপাস্যৰ ইবাদত এৰি একমাত্ৰ আল্লাহৰ বাবে ইবাদত কৰা। সিহঁতে যদি এফালে কলিমা “লা ইলা-হা ইল্লাল্লাহ” কলেহেঁতেন আনফালে দেৱ-দেৱীৰ ইবাদতৰ ওপৰত প্ৰতিষ্ঠিত থাকিলেহেঁতেন তেনেহ’লে এইটো হলেহেঁতেন স্ববিৰোধিতা, অথচ এনেকুৱা স্ববিৰোধিতাৰ পৰা সিহঁতে নিজকে বিৰত ৰাখিছে। কিন্তু আজিৰ যুগৰ কবৰ পূজাৰীসকলে এই জঘন্যতম স্ববিৰোধিতাৰ পৰা নিজকে বিৰত ৰখা নাই। সিহঁতে এফালে, “লা ইলা-হা ইল্লাল্লাহ” কয়, আনফালে মৃত ব্যক্তি আৰু মাজাৰ ভিত্তিক ইবাদতৰ মাধ্যমত এই কলিমাৰ বিৰোধিতা কৰি থাকে। এতেকে ধ্বংস সেই সকল ব্যক্তিৰ বাবে যিসকলতকৈ আবু জাহাল আৰু আবু লাহাব আছিল কলিমা “লা ইলা-হা ইল্লাল্লাহ”ৰ অৰ্থ সম্পৰ্কে আৰু বেছি অভিজ্ঞ।

সংক্ষিপ্ত কথা হ’ল, যি ব্যক্তিয়ে কলিমাৰ অৰ্থ জানি বুজি কলিমাৰ দাবী অনুযায়ী আমল কৰাৰ মাধ্যমত ইয়াৰ স্বীকৃতি দান কৰিব আৰু প্ৰকাশ্য অপ্ৰকাশ্য সৰ্বাৱস্থাত নিজকে শ্বিৰ্কৰ পৰা বিৰত ৰাখি দৃঢ় প্ৰত্যয়ৰ সৈতে একমাত্ৰ আল্লাহৰ ইবাদাতক নিৰ্ধাৰণ

কৰিব, সেই ব্যক্তিহে হৈছে প্ৰকৃত অৰ্থত মুছলিম। আৰু যিয়ে এই কলিমাৰ ভাৱাৰ্থক বিশ্বাস নকৰি এনেই প্ৰকাশ্যভাৱে ইয়াৰ স্বীকৃতি দান কৰিব আৰু ইয়াৰ দাবী অনুযায়ী গতানুগতিকভাৱে কাজ কৰিব সেই ব্যক্তি দৰাচলতে মুনাফিক। আৰু যিয়ে মৌখিকভাৱে এই কলিমা ক'ব আৰু শ্বৰ্কি কৰাৰ মাধ্যমত ইয়াৰ বিপৰীত কাম কৰিব সি প্ৰকৃত অৰ্থত স্ববিৰোধী মুশ্বৰিক। সেয়ে এই কলিমা উচ্চাৰণৰ লগে লগে অৱশ্যে ইয়াৰ অৰ্থ জানিব লাগিব। কাৰণ অৰ্থ জনাই হৈছে ইয়াৰ দাবী অনুযায়ী আমল কৰাৰ মাধ্যম। আল্লাহে কৈছেঃ

﴿ إِلَّا مَن شَهِدَ بِٱلْحَقِّ وَهُمْ يَعْلَمُونَ ۝٨٦ ﴾ [الزخرف: ٨٦]

"কিন্তু তেওঁলোকৰ বাহিৰে যিসকলে জানি-শুনি সত্য সাক্ষ্য দিয়ে। (ইয়াৰ বাহিৰে কোনেও ছুপাৰিছৰ অধিকাৰী নহ'ব)" (আয-যখৰুফ, ৮৬)

আৰু এই কলিমাৰ চাহিদা অনুযায়ী আমল হৈছে, একমাত্ৰ আল্লাহৰ ইবাদত কৰা আৰু আল্লাহৰ বাহিৰে আন সকলোৰে ইবাদতক অস্বীকাৰ কৰা। এই কলিমাৰ দ্বাৰা মূল উদ্দেশ্য এইটোৱেই।

লগতে কলিমা "লা ইলা-হা ইল্লাল্লাহ"ৰ অন্যতম দাবী হৈছে ইবাদত, মোৱামালাত (লেন-দেন) হালাল-হাৰাম, সৰ্বাৱস্থাত আল্লাহৰ বিধানক মানি লোৱা আৰু আল্লাহৰ বাহিৰে আনৰ প্ৰবৰ্তিত বিধানক বৰ্জন কৰা। আল্লাহ তা'আলাই কৈছেঃ

﴿أَمْ لَهُمْ شُرَكَٰٓؤُاْ شَرَعُواْ لَهُم مِّنَ ٱلدِّينِ مَا لَمْ يَأْذَنۢ بِهِ ٱللَّهُۚ ﴾ [الشورى: ٢١]

"অথবা সিহঁতৰ এনে কিছুমান অংশী আছে নেকি, যিবিলাকে সিহঁতৰ বাবে দ্বীনৰ পৰা চৰীয়ত প্ৰৱৰ্তন কৰিছে, যাৰ অনুমতি আল্লাহে দিয়া নাই? (ছুৰা আশ- শুৰা, ২১)

ইয়াৰ দ্বাৰা বুজা গ'ল অৱশ্যে ইবাদত, লেন-দেন আৰু মানুহৰ মাজত বিতৰ্কিত বিষয়সমূহ ফয়চালা কৰিবলৈ আল্লাহৰ বিধানক মানি লব লাগিব, লগতে ইয়াৰ বিপৰীতে মানৱ ৰচিত সকলো বিধানক ত্যাগ কৰিব লাগিব। এই অৰ্থৰ পৰা আৰু বুজা গ'ল যে, সকলো ধৰণৰ বিদ'আত আৰু কু-সংস্কাৰ যিবোৰ জ্বীন আৰু মানৱৰূপী চয়তানে ৰচনা কৰে, সেইবোৰো পৰিত্যাগ কৰিব লাগিব। আৰু যিয়ে এইবোৰক গ্ৰহণ কৰিব সি মুশ্বৰিক বুলি গণ্য হ'ব। যেনে আল্লাহ তা'আলাই কৈছেঃ

﴿ أَمۡ لَهُمۡ شُرَكَٰٓؤُاْ شَرَعُواْ لَهُم مِّنَ ٱلدِّينِ مَا لَمۡ يَأۡذَنۢ بِهِ ٱللَّهُۚ ﴾ [الشورى: ٢١]

“অথবা সিহঁতৰ এনে কিছুমান অংশী আছে নেকি, যিবিলাকে সিহঁতৰ বাবে দ্বীনৰ পৰা চৰীয়ত প্ৰৱৰ্তন কৰিছে, যাৰ অনুমতি আল্লাহে দিয়া নাই?” [ছুৰা আশ-শুৰা:২১]

আল্লাহ তাআলাই আৰু কৈছেঃ

﴿ وَإِنۡ أَطَعۡتُمُوهُمۡ إِنَّكُمۡ لَمُشۡرِكُونَ ۝١٢١ ﴾ [الانعام: ١٢١]

“আৰু যদি তোমালোকে সিহঁতৰ আনুগত্য কৰা, তেন্তে তোমালোকে অৱশ্যে মুশ্বৰিক হ’বা।” (আল-আন‘আম: ১২১)

আল্লাহে আৰু কৈছেঃ

﴿ ٱتَّخَذُوٓاْ أَحۡبَارَهُمۡ وَرُهۡبَٰنَهُمۡ أَرۡبَابٗا مِّن دُونِ ٱللَّهِ ﴾ [التوبة: ٣١]

“সিহঁতে আল্লাহৰ বাহিৰে সিহঁতৰ পণ্ডিত আৰু সংসাৰ-বিৰাগিসকলক সিহঁতৰ ৰব হিচাপে গ্ৰহণ কৰিছে।” (ছুৰা আত-তাওবাহ, ৩১)

ছহীহ হাদিছত বৰ্ণিত হৈছে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া আদী ইবনে হাতিম আত-ত্বায়ীৰ সন্মুখত উল্লেখিত আয়াতটো পাঠ কৰিলে তেতিয়া ‘আদীয়ে ক’লে, হে আল্লাহৰ ৰাছুল! আমিতো আমাৰ নেতৃবৰ্গ-পুৰোহিতসকলৰ ইবাদত নকৰোঁ। ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে ক’লে, আল্লাহে যিবোৰ বস্তু হাৰাম কৰিছে তোমালোকৰ পুৰোহীতসকলে সেয়া হালাল কৰিছে, আৰু আল্লাহে যিবোৰ বস্তু হালাল কৰিছে সেয়া সিহঁতে হাৰাম বা অবৈধ কৰিছে, তোমালোকে এই বিষয়ে সিহঁতৰ অনুসৰণ কৰা নাই নে? আদীয়ে ক’লে, অৱশ্যে হয়, এই বিষয়ে আমি সিহঁতৰ অনুসৰণ কৰিছিলো। ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে ক’লে, এইটোৰেই সিহঁতৰ ইবাদত কৰা বুজায়[11]।

আশ্ব-শ্বাইখ আব্দুৰ ৰহমান ইবনে হাছানে কৈছেঃ এতেকে বুজা গ’ল অন্যায় কামত সিহঁতৰ আনুগত্য কৰাৰ বাবেই এইটো আল্লাহৰ বাহিৰে আনৰ ইবাদত হৈ গ’ল আৰু ইয়াক মাধ্যমতেই পুৰোহিতসকলৰ সিহঁতে নিজৰ ৰব হিচাপে গ্ৰহণ কৰিছিল। আৰু এয়া হল আমাৰ বৰ্তমান জাতিৰ অৱস্থা আৰু এইটো এক প্ৰকাৰ ডাঙৰ শ্বিৰ্ক যাৰ

[11] তিৰমিজী, হাদীছ নং ৩০৯৪। কিতাবুত তাফছীৰ।

মাধ্যমত আল্লাহৰ একত্ববাদ বা তাওহীদক অস্বীকাৰ কৰা হয়, যি একত্ববাদ বা তাওহীদৰ অৰ্থ বহন কৰে কলিমা “লা ইলা-হা ইল্লাল্লাহ”ৰ সাক্ষ্য। এতেকে ইয়াত স্পষ্টভাৱে প্ৰমাণিত হ’ল যে, এই ইখলাছৰ কলিমাই (লা-ইলা-হা ইল্লাল্লাহ) এইবোৰ বিষয়ক সম্পূৰ্ণভাৱে অস্বীকাৰ কৰে, কাৰণ সেইবোৰ এই কলিমাৰ অৰ্থৰ সম্পূৰ্ণ বিৰোধী।

অনুৰূপভাৱে মানৱ ৰচিত আইনৰ ওচৰত বিচাৰৰ বাবে আগমন কৰা, বিচাৰৰ বাবে সেইবোৰৰ দ্বাৰস্থ হোৱা পৰিত্যাগ কৰা ওৱাজিব। কিয়নো, বিচাৰ ফয়চালাত আল্লাহৰ কিতাব কোৰআন আৰু তেওঁৰ ৰাছুলৰ ওচৰত যোৱা ওৱাজিব। সেইদৰে আল্লাহৰ কিতাব আৰু তেওঁৰ ৰাছুলৰ বাহিৰে আন কোনো আইন আৰু বিধানৰ ওচৰত বিচাৰৰ বাবে যোৱা পৰিত্যাগ কৰাও ওৱাজিব। আল্লাহে কৈছেঃ

﴿ فَإِن تَنَٰزَعۡتُمۡ فِي شَيۡءٖ فَرُدُّوهُ إِلَى ٱللَّهِ وَٱلرَّسُولِ ﴾ [النساء: ٥٩]

“তোমালোকৰ মাজত কোনো বিষয় লৈ মতভেদ ঘটিলে সেয়া উপস্থাপন কৰা আল্লাহ আৰু তেওঁৰ ৰাছুলৰ ওচৰত।” (আন নিছা-৫৯)

আল্লাহে আৰু কৈছেঃ

﴿وَمَا ٱخۡتَلَفۡتُمۡ فِيهِ مِن شَيۡءٖ فَحُكۡمُهُۥٓ إِلَى ٱللَّهِۚ ذَٰلِكُمُ ٱللَّهُ رَبِّي ﴾ [الشورى: ١٠]

“আৰু তোমালোকে যি বিষয়তে মতভেদ নকৰা কিয়, তাৰ মীমাংসা কেৱল আল্লাহৰেই ওচৰত। তেৱেঁই আল্লাহ, মোৰ ৰব;” (ছুৰা আশ-শুৰা ১০)

যি ব্যক্তি আল্লাহৰ হুকুম মোতাবিক ফয়চালা নকৰে তাৰ বিষয়ে আল্লাহৰ ফয়চালা হৈছে এই যে, সি কাফিৰ অথবা যালিম অথবা ফাছিক আৰু তাৰ ঈমান্দাৰ হোৱাৰ বিষয়টো অস্বীকাৰ কৰিছে। যিটো প্ৰমাণ কৰে যে, আল্লাহৰ হুকুম অনুযায়ী যি ব্যক্তি ফয়চালা নকৰিব সি কাফিৰ হৈ যাব যেতিয়া সি চৰীয়ত বিৰোধী ফায়চালা দিয়াক জায়েয বা মোবাহ বুলি ভাবিব অথবা এই বুলি ভাবিব যে, তাৰ ফয়চালা আল্লাহ তা‘আলাৰ ফয়চালাৰ পৰা অধিক উত্তম বা অধিক গ্ৰহণীয়। এনেকুৱা বিশ্বাস পোষণ কৰা হ’ব তাওহীদ পৰিপন্থী, কুফুৰী আৰু শ্বিৰ্ক আৰু সেয়া لَا إِلٰهَ إِلَّا اللهُ এই কলিমাৰ অৰ্থৰ একেবাৰে বিৰোধী।

আৰু যদি বিচাৰকে বা শাসকে চৰীয়ত বিৰোধী ফয়চালা দানক মোবাহ বা জায়েয বুলি নাভাবে, বৰং চৰীয়ত অনুযায়ী ফয়চালা প্ৰদানক ওৱাজিব বুলি ভাবে কিন্তু পাৰ্থিৱ লালসাৰ বশৱৰ্তী হৈ নিজৰ মনেসজা আইনেৰে ফয়চালা কৰে তেন্তে এইটো সৰু শ্বিৰ্ক আৰু সৰু কুফৰীৰ পৰ্যায়ত পৰিব। কিন্তু এইটোও لَا إِلٰهَ إِلَّا اللّٰهُ ৰ অৰ্থৰ পৰিপন্থী। এতেকে لَا إِلٰهَ إِلَّا اللّٰهُ এটা পূৰ্ণাঙ্গ পথ আৰু পদ্ধতি, এই কলিমাই মুছলিমসকলৰ জীৱনক সাৰ্বিকভাৱে নিয়ন্ত্ৰণ কৰিব আৰু পৰিচালনা কৰিব তেওঁলোকৰ সকলো ইবাদত-বন্দেগী আৰু সকলো কৰ্মক। এই কলিমা কেৱল কিছুমান শব্দৰ সমাৰোহ নহয় যে, নুবুজি ইয়াক পুৰা গধূলি তাছবীহ হিচাপে কেৱল বৰকতৰ বাবে পাঠ কৰিব আৰু ইয়াৰ দাবী অনুযায়ী আমল কৰাৰ পৰা বিৰত থাকিব অথবা ইয়াৰ নিৰ্দেশিত পথত পৰিচালিত নহ'ব। দৰাচলতে বহুতেই ইয়াক কেৱল মাত্ৰ গতানুগতিক ভাৱে মুখেৰে উচ্চাৰণহে কৰি থাকে, কিন্তু সিহঁতৰ বিশ্বাস আৰু কৰ্ম ইয়াৰ পৰিপন্থী।

কলিমা لَا إِلٰهَ إِلَّا اللّٰهُ ৰ আৰু এটা দাবী হৈছে, আল্লাহৰ যিমান গুণবাচক নাম আৰু তেওঁৰ নিজ সত্তাৰ যিবোৰ নাম আছে যিবোৰ তেওঁ নিজেই বৰ্ণনা কৰিছে অথবা তেওঁৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে বৰ্ণনা কৰিছে সেইবোৰ নাম আৰু গুণাৱলীক যথাযথভাৱে সাব্যস্ত কৰা। যেনে আল্লাহ তা'আলাই কৈছেঃ

﴿وَلِلَّهِ ٱلۡأَسۡمَآءُ ٱلۡحُسۡنَىٰ فَٱدۡعُوهُ بِهَاۖ وَذَرُواْ ٱلَّذِينَ يُلۡحِدُونَ فِيٓ أَسۡمَٰٓئِهِۦۚ سَيُجۡزَوۡنَ مَا كَانُواْ يَعۡمَلُونَ ١٨٠﴾ [الاعراف: ١٨٠]

"আৰু আল্লাহৰ বাবে আছে সুন্দৰ সুন্দৰ নাম। এতেকে তোমালোকে তেওঁক সেইবোৰ নামেৰেই আহ্বান কৰা; আৰু যিসকলে তেওঁৰ নাম বিকৃত কৰে সিহঁতক বৰ্জন কৰা; সিহঁতৰ কৃতকৰ্মৰ ফল অনতিপলমে সিহঁতক দিয়া হ'ব"। (আল-আ'ৰাফ: ১৮০)

ফাতহুল মজিদ কিতাবৰ লেখকে কৈছে, "আৰবী ভাষাত প্ৰকৃত 'ইলহাদ' বোলোতে, সঠিক পথ পৰিহাৰ কৰি বক্ৰ পথ অনুসৰণ কৰা আৰু বক্ৰতাৰ ফালে ঢাল খাই পথভ্ৰষ্ট হোৱাক বুজায়।

আল্লাহৰ সকলো নাম আৰু গুনবাচক নামৰ মাজতেই তেওঁৰ পৰিচয় আৰু কামালিয়াত প্ৰস্ফুটিত হৈ উঠে বান্দাৰ ওচৰত। লেখকে আৰু কৈছে, এতেকে আল্লাহৰ নামসমূহৰ বিষয়ত বক্ৰতা অৱলম্বন কৰা মানে সেইবোৰ নামক অস্বীকাৰ

কৰা, অথবা সেইবোৰ নামৰ অৰ্থক অস্বীকাৰ বা অপ্ৰয়োজনীয় বা অপ্ৰাসঙ্গিক বুলি ভবা, অথবা অপব্যাখ্যাৰ মাধ্যমত ইয়াৰ সঠিক অৰ্থক পৰিবৰ্তন কৰি দিয়া, অথবা আল্লাহৰ সেইবোৰ নামৰ দ্বাৰা তেওঁৰ সৃষ্টিক বিশেষিত কৰা। যেনে অহদাতুল ওজুদ পন্থীসকলে স্ৰষ্টা আৰু সৃষ্টিক এটা কৰি সৃষ্টিৰ ভাল-বেয়া বহু বস্তুক আল্লাহৰ নামত বিশেষিত কৰিছে[12]।

এতেকে যি ব্যক্তি মুতাযিলা সম্প্ৰদায় বা জাহমিয়া বা আশ্বায়েৰা মতবাদত বিশ্বাসীসকলৰ অনুৰূপ আল্লাহৰ নামসমূহৰ আৰু গুনাৱলীৰ অপব্যাখ্যা কৰিব, অথবা সেইসকল লোকে অপ্ৰয়োজনীয় আৰু অৰ্থ-সাৰ শূণ্য বুলি ভাবিলে, অথবা সেইবোৰৰ অৰ্থ বোধগম্য নহয় বুলি ভাবিলে আৰু এইবোৰ নাম আৰু গুণাৱলীৰ সুমহান অৰ্থৰ ওপৰত বিশ্বাস পোষণ নকৰিলে সি প্ৰকৃততে আল্লাহৰ নাম আৰু গুণাৱলীত বক্ৰতাৰ পথ অৱলম্বন কৰিলে আৰু “লা ইলা-হা ইল্লাল্লাহ’ৰ অৰ্থ আৰু উদ্দেশ্যৰ বিৰোধিতা কৰিলে। কিয়নো “ইলাহ” হৈছে তেওঁ, যাক তেওঁৰ নাম আৰু ছিফাতৰ মাধ্যমত আহ্বান কৰা হয় আৰু তেওঁৰ নৈকট্য লাভ কৰা হয়। আল্লাহে কৈছেঃ (فَادْعُوهُ بِهَا) “এইবোৰ নামৰ মাধ্যমত তেওঁক আহ্বান কৰা”। আৰু যাৰ কোনো নাম বা ছিফাত নাই সি কেনেকৈ “ইলাহ” বা উপাস্য হ’ব পাৰে আৰু কিহৰ মাধ্যমত তেওঁক আহ্বান কৰা হ’ব?

ইমাম ইবনুল কাইয়িমে কৈছেঃ চৰীয়তৰ বিভিন্ন হুকুম আহকামৰ বিষয়ত এই উম্মতৰ পূৰ্বৱৰ্তী মানুষসকল বিতৰ্কত লিপ্ত হ’লেও ছিফাত সংক্ৰান্ত আয়াতসমূহত বা এই সম্পৰ্কত যি সংবাদ আহিছে তাত কোনেও বিতৰ্কত লিপ্ত হোৱা নাই। বৰং ছাহাবায়ে কেৰাম আৰু তাবেয়ীসকলে এই বিষয়ে একমত হৈছে যে, আল্লাহৰ এইবোৰ আছমায়ে হুছনা (সুন্দৰ নাম) আৰু ছিফাতৰ প্ৰকৃত অৰ্থ বুজাৰ পিছত ঠিক যেনেকৈ সেয়া বৰ্ণিত হৈছে, কোনো প্ৰকাৰ অপব্যাখ্যা নকৰাকৈ সেয়া তেনেকৈয়ে মানিব লাগিব আৰু স্বীকৃতি দান কৰিব লাগিব। ইয়াত প্ৰমাণিত হ’ল যে, আল্লাহৰ আছমায়ে হুছনা আৰু ছিফাতৰ বিস্তাৰিত ব্যাখ্যা প্ৰদান কৰা এটা গুৰুত্বপূৰ্ণ বিষয়। কাৰণ তাওহীদ আৰু ৰিছালতক দৃঢ়ভাৱে প্ৰতিপন্ন কৰাৰ এটাই মূল উৎস আৰু তাওহীদৰ স্বীকৃতিৰ বাবে এইবোৰ আছমায়ে হুছনাৰ স্বীকৃতি এটা অবিচ্ছেদ্য অংশ। এই বাবেই আল্লাহ

[12] এই মতবাদক ইংৰাজিত penthiesm আৰু অসমীয়াত সৰ্বশ্বৰবাদ বুলি কোৱা হয়।

আৰু তেওঁৰ ৰাছুল চাল্লাল্লাহু ‘আলাইহি অছাল্লামে বিস্তাৰিত ব্যাখ্যা প্ৰদান কৰিছে; যাতে কোনো প্ৰকাৰ সংশয়ৰ অৱকাশ নাথাকে।

হুকুম-আহকাম তথা বিধি-বিধানৰ আয়াতসমূহ বিজ্ঞ ব্যক্তিসকলৰ বাহিৰে সকলোৰে বাবে বুজা অলপ কঠিন কাম, কিন্তু আল্লাহৰ ছিফাত সংক্ৰান্ত আয়াতসমূহৰ সাধাৰণ অৰ্থ সকলো মানুহেই বুজিব পাৰে। অৰ্থাৎ তেওঁৰ সত্তা আৰু আকৃতি বুজাৰ বাহিৰে আচল অৰ্থ সকলোৱেই বুজিব পাৰে[13]।

লেখকে আৰু কৈছেঃ এইটো এনেকুৱা এটা বিষয় যিটো সহজাত প্ৰবৃত্তি, সুস্থ মস্তিস্ক আৰু ঐশী কিতাবসমূহৰ মাধ্যমত বুজিব পৰা যায় যে, যাৰ মাজত পূৰ্ণতা অৰ্জনৰ সকলো গুণাৱলী নাথাকে সি কদাপিও ইলাহ বা মা‘বুদ, পৰিচালক আৰু ৰব হ’ব নোৱাৰে। সি হ’ব নিন্দনীয় ক্ৰুটিপূৰ্ণ আৰু অসম্পূৰ্ণ আৰু পূৰ্বাপৰ কোনো অৱস্থাতেই সি প্ৰশংসিত হ’ব নোৱাৰে। সৰ্বাৱস্থাত প্ৰশংসিত হ’ব তেৱেঁই যাৰ মাজত কামালিয়াত বা পূৰ্ণতা অৰ্জনৰ সকলো গুণাৱলী বিদ্যমান আছে। এই বাবেই আহলুছ ছুন্নাহ ওৱাল জামা‘আতৰ পূৰ্বকালীন মনীষীসকল ছুন্নাতৰ ওপৰত বা আল্লাহৰ ছিফাত সাব্যস্তকৰণ যেনে, তেওঁ সকলো সৃষ্টিৰ উৰ্দ্ধত, তেওঁৰ কথোপোকথন ইত্যাদিৰ ওপৰত যিবোৰ গ্ৰন্থ ৰচনা কৰিছে সেইবোৰৰ নাম দিছে ‘‘আত-তাওহীদ’’ হিচাপে। কাৰণ এইবোৰ গুণাৱলীক অগ্ৰাহ্য বা অস্বীকাৰ কৰা আৰু ইয়াৰ লগত কুফৰী কৰাৰ অৰ্থ হৈছে, সৃষ্টিকৰ্তাক অস্বীকাৰ কৰা আৰু তেওঁৰ অবাধ্য হোৱা। আৰু আল্লাহৰ একত্ববাদ বা তাওহীদৰ অৰ্থ হৈছে তেওঁৰ সকলো কামালিয়তৰ ছিফাতক মানি লোৱা, সকলো দোষক্ৰুটি আৰু আনৰ লগত সাদৃশ্যৰ পৰা তেওঁক পৱিত্ৰ বুলি ভবা[14]।

৫. এজন ব্যক্তিৰ বাবে কেতিয়া "لَا إِلَهَ إِلَّا اللَّهُ" ৰ স্বীকৃতি ফলদায়ক হ’ব আৰু কেতিয়া ইয়াৰ স্বীকৃতি নিষ্ফল হ’ব?

আমি পূৰ্বেই কৈছো যে, لَا إِلَهَ إِلَّا اللَّهُ ৰ স্বীকৃতিৰ লগতে ইয়াৰ অৰ্থ বুজা আৰু ইয়াৰ দাবী অনুযায়ী আমল কৰাটো ওতপ্ৰোতভাৱে জড়িত কিন্তু কোৰআন আৰু হাদিছত এনেকুৱা কিছুমান উদ্ধৃতি আছে যাৰ পৰা সন্দেহৰ উদ্ভৱ হয় যে, কেৱল ‘‘লা ইলা-হা

[13] ইবনুল কাইয়্যিম, মুখতাছাৰুছ ছাৱা‘য়িকুল মুৰছালাহ ১/১৫।

[14] ইবনুল কাইয়্যিম, মাদাৰিজুছ ছালেকীন ১/২৬।

ইল্লাল্লাহ''  মুখেৰে উচ্চাৰণ কৰিলেই যথেষ্ট। দৰাচলতে কিছুমান মানুহ এনেকুৱা ধাৰণাই পোষণ কৰি বহিছে। এতেকে সত্যসন্ধানীসকলৰ বাবে এই সন্দেহৰ নিৰসন কৰি দিয়াটোৱে মই একান্ত প্ৰয়োজন বুলি ভাবো।

ইতবান ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত কোৱা হৈছে, ''যি ব্যক্তিয়ে আল্লাহৰ সন্তুষ্টি অৰ্জনৰ বাবে ক'ব, 'লা ইলা-হা ইল্লাল্লাহ', আল্লাহে তাৰ ওপৰত জাহান্নামৰ জুইক হাৰাম কৰি দিব।[15]'' এই হাদীছৰ আলোচনাত শ্বাইখ ছুলাইমান ইবনে আব্দুল্লাহে কৈছেঃ মনত ৰাখিব, অনেক হাদীছৰ বাহ্যিক অৰ্থ দেখিলে ধাৰণা হ'ব যে, কোনো ব্যক্তিয়ে তাওহীদ আৰু ৰিছালতৰ কেৱল সাক্ষ্য দান কৰিলেই জাহান্নামৰ বাবে সি হাৰাম হৈ যাব যেনেকৈ উপৰোল্লেখিত হাদীছত কোৱা হৈছে। এইদৰে আনাছ ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত হাদীছতো আহিছে তেওঁ কৈছেঃ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লাম আৰু মু'আয ৰাদিয়াল্লাহু 'আনহু এবাৰ ছাৱাৰীৰ পিঠিত আৰোহণ কৰি কৰবাত গৈ আছিল সেই সময়ত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মু'আযক মাত দিলে। তেওঁ কলে, লাব্বাইকা ওৱা ছা'দাইক, ইয়া ৰাছুলাল্লাহ। ইয়াৰ পিছত ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে কলে, হে মু'আয! যিজন বান্দাই এই সাক্ষ্য প্ৰদান কৰিব যে, ''আল্লাহৰ বাহিৰে আন কোনো সত্য মা'বুদ নাই আৰু মুহাম্মদ চাল্লাল্লাহু 'আলাইহি অছাল্লাম আল্লাহৰ ৰাছুল'' আল্লাহে তাক জাহান্নামৰ বাবে হাৰাম কৰি দিব[16]। এইদৰে ইমাম মুছলিমে 'উবাদাহ ৰাদ্বিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণনা কৰিছে যে, ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ ''যি ব্যক্তিয়ে সাক্ষ্য দিব যে, আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই আৰু মুহাম্মাদ চাল্লাল্লাহু 'আলাইহি অছাল্লাম আল্লাহৰ বান্দাহ আৰু ৰাছুল, আল্লাহে তাক জাহান্নামৰ বাবে হাৰাম কৰি দিব''[17]। ইয়াৰ বাহিৰেও বহুতো হাদীছত বৰ্ণিত হৈছে, যি ব্যক্তিয়ে তাওহীদ আৰু ৰিছালাতৰ স্বীকৃতি দান কৰিব তাক জান্নাতত প্ৰৱেশ কৰোৱা হ'ব, কিন্তু জাহান্নাম যে তাৰ বাবে হাৰাম কৰা হ'ব এনেকুৱা কোনো উল্লেখ তাত নাই। এইদৰে তাবুক যুদ্ধ চলাকালিনৰ এটা ঘটনা, আবু হুৰাইৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত এটা হাদীছত আহিছে যে, ৰাছুল চাল্লাল্লাহু আলাইহি

---

[15] বুখাৰী, ১১/২০৬; মুছলিম, হাদীছ নং ৩৩।

[16] বুখাৰী ১/১৯৯।

[17] মুছলিম ১/২২৮–২২৯।

অছাল্লামে তেওঁলোকক ক'লে, 'মই সাক্ষ্য দিওঁ যে আল্লাহৰ বাহিৰে আন কোনো সত্য মাবুদ নাই আৰু মই আল্লাহৰ ৰাছুল।' সংশয়হীনভাৱে এই কলিমা পাঠকাৰী যদি আল্লাহৰ লগত সাক্ষাৎ কৰে তেন্তে জান্নাতৰ মাজত আৰু তাৰ মাজত কোনো প্ৰতিবন্ধকতা নাথাকিব।[18]" এইবোৰ হাদীছ আৰু বৰ্ণনাৰ বিষয়ে শ্বাইখ ছুলাইমান ইবনে আব্দুল্লাহ ৰাহিমাহুল্লাহে কৈছেঃ শ্বাইখুল ইছলাম ইবনে তাইমিয়্যাহ্ আৰু অন্যান্য ওলামায়ে কেৰাম এই বিষয়ে যি ব্যাখ্যা প্ৰদান কৰিছে সেয়া অত্যন্ত স্পষ্ট। ইবনে তাইমিয়্যাহ ৰাহিমাহুল্লাহে কৈছেঃ এইবোৰ হাদীছৰ অৰ্থ হৈছে, যি ব্যক্তিয়ে এই কলিমা পাঠ কৰি ইয়াৰ ওপৰত মৃত্যুবৰণ কৰিব- যেনেকৈ নিৰ্দিষ্ট সীমাৰেখাত বৰ্ণিত হৈছে- আৰু এই কলিমাক সংশয়হীনভাৱে একেবাৰে স্পষ্টকৈ আল্লাহৰ মুহাব্বতত হৃদয় মনৰ পৰা ইয়াৰ স্বীকৃতি দিব; কিয়নো প্ৰকৃত তাওহীদ হৈছে সাৰ্বিক ভাৱে আল্লাহৰ ফালে মনোনিৱেশ কৰা আৰু আকৃষ্ট হোৱা। এতেকে যি ব্যক্তি খালিছ অন্তৰে "লা ইলা-হা ইল্লাল্লাহ"ৰ সাক্ষ্য দান কৰিব সি জান্নাতত প্ৰৱেশ কৰিব। আৰু ইখলাছ হৈছে আল্লাহৰ প্ৰতি সেই আকৰ্ষণৰ নাম যি আকৰ্ষণ বা আৱেগৰ ফলত আল্লাহৰ ওচৰত বান্দাই সকলো পাপকৰ্মৰ বাবে খালিছ (নিৰ্ভেজাল) তাওবা কৰিব আৰু যদি এই অৱস্থাতেই সি মৃত্যুবৰণ কৰে তেতিয়াহে জান্নাত লাভ কৰিব পাৰিব। কাৰণ অসংখ্য হাদীছত বৰ্ণিত হৈছে যে, যি ব্যক্তিয়ে ক'ব, "লা ইলা-হা ইল্লাল্লাহ" সেই ব্যক্তি জাহান্নামৰ পৰা ওলাই আহিব যদি তাৰ মাজত অণু পৰিমাণো ঈমান বিদ্যমান থাকে। ইয়াৰোপৰিও অসংখ্য হাদীছত বৰ্ণিত হৈছে যে, বহুতো লোক "লা ইলা-হা ইল্লাল্লাহ" কোৱা পিছতো জাহান্নামত প্ৰৱেশ কৰিব আৰু কৃতকৰ্মৰ শাস্তি ভোগ কৰাৰ পিছত তাৰ পৰা ওলাই আহিব। বহুতো হাদীছত বৰ্ণিত হৈছে, বানি আদম ছাজদা কৰাৰ ফলত যি চিহ্ন পৰে সেই চিহ্নক জাহান্নামে কেতিয়াও স্পৰ্শ কৰিব নোৱাৰিব। এতেকে বুজা গ'ল সেই ব্যক্তিসকলে ছালাত পঢ়িছিল আৰু আল্লাহৰ বাবে ছাজদা কৰিছিল। আৰু বহুতো মুতাৱাতিৰ হাদীছত এনেকৈ বৰ্ণিত হৈছে যে, যি ব্যক্তিয়ে ক'ব, "লা ইলা-হা ইল্লাল্লাহ" আৰু এই সাক্ষ্য দান কৰিব যে, আল্লাহৰ বাহিৰে আন কোনো সত্য মাবুদ নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম আল্লাহৰ ৰাছুল, তাৰ ওপৰত জাহান্নামক হাৰাম কৰা হ'ব। কিন্তু এই কথাবোৰ কঠোৰ চৰ্তৰে (যেনে ইখলাছ, ইয়াকীন, সততা

[18] মুছলিম ১/২২৪।

ইত্যাদিৰ সৈতে) চৰ্তযুক্ত হৈ বৰ্ণিত হৈছে। অথচ অধিকাংশ লোক যিসকলে এই কলিমা ‘‘লা ইলা-হা ইল্লাল্লাহ’’ মুখেৰে উচ্চাৰণ কৰে সিহঁতে নাজানে ইখলাছ আৰু ইয়াকীন বা দৃঢ় প্ৰত্যয় বোলোতে কি বুজায়। আৰু যি ব্যক্তি এই বিষয়বোৰ সম্পৰ্কে অৱহিত নাথাকিব মৃত্যুৰ সময়ত এই কাৰণে ফিতনাৰ সন্মুখীন হোৱাটোৱেই স্বাভাৱিক আৰু সেই সময়ত হয়তো তাৰ মাজত আৰু এই কলিমাৰ মাজত প্ৰতিবন্ধকতা সৃষ্টি হ’ব পাৰে। বহুতো মানুহে এই কলিমা অনুকৰণমূলক বা সামাজিক প্ৰথা অনুযায়ী পাঠ কৰে অথচ সিহঁতৰ অন্তৰত ঐকান্তিকভাৱে ঈমানৰ সোৱাদ প্ৰৱেশ নকৰে। আৰু মৃত্যুৰ সময়ত লগতে কবৰৰ ফিতনাৰ সন্মুখীন যিসকলে হয় সিহঁতৰ অধিকাংশই এই শ্ৰেনীৰ মানুহ। যেনে হাদীছত বৰ্ণিত হৈছে, এই ধৰণৰ লোকসকলে কবৰত প্ৰশ্ন কৰাৰ পিছত উত্তৰত ক’ব, ‘‘মানুহক এনেকৈ কিবা এটা কওঁতে শুনিছো আৰু ময়ো সিহঁতৰ দৰে কেৱল মৌখিকভাৱে উচ্চাৰণ কৰিছো’’। সিহঁতৰ অধিকাংশ কৰ্ম আৰু আমল সিহঁতৰ পূৰ্বসূৰীবিলাকৰ অনুকৰণতেই হৈ থাকে। এই কাৰণেই সিহঁতৰ বাবে আল্লাহৰ এই বাণী শোভা পায়:

﴿ إِنَّا وَجَدْنَآ ءَابَآءَنَا عَلَىٰٓ أُمَّةٍ وَإِنَّا عَلَىٰٓ ءَاثَٰرِهِم مُّقْتَدُونَ ﴿٢٣﴾ ﴾ [الزخرف: ٢٣]

‘‘নিশ্চয় আমি আমাৰ পিতৃ-পুৰুষসকলক এটা মতাদৰ্শৰ ওপৰত পাইছো আৰু আমি তেওঁলোকৰেই পদাঙ্ক অনুসৰণ কৰি চলিম।’’ (আয-যুখৰুফ-২৩)

এই দীৰ্ঘ আলোচনাৰ পিছত ক’ব পাৰি যে, এই প্ৰসঙ্গত বৰ্ণিত হাদীছসমূহৰ মাজত কোনো প্ৰকাৰ বিৰোধিতা নাই। এতেকে কোনো ব্যক্তিয়ে যদি পূৰ্ণ ইখলাছ আৰু ইয়াকীনৰ সৈতে এই কলিমা পাঠ কৰে তেনেহ’লে কোনো মতেই সি কোনো পাপ কৰ্মৰ ওপৰত অবিচলিত থাকিব নোৱাৰে। কাৰণ তাৰ বিশুদ্ধ ইছলাম বা সততাৰ কাৰণে আল্লাহৰ মুহাব্বত তাৰ ওচৰত সকলো বস্তুৰ উৰ্দ্ধত স্থান পাব। এতেকে এই কলিমা পাঠ কৰাৰ পিছত আল্লাহৰ হাৰামকৃত বস্তুৰ প্ৰতি তাৰ হৃদয়ৰ মাজত কোনো প্ৰকাৰ আগ্ৰহ বা ইচ্ছা নাথাকিব আৰু আল্লাহে যি আদেশ কৰিছে সেই সম্পৰ্কে তাৰ মনৰ মাজত কোনো প্ৰকৰ দ্বিধা- সংকোচ বা ঘৃণা নাথাকিব। আৰু এই ধৰণৰ ব্যক্তিৰ বাবেই জাহান্নাম হাৰাম হ’ব, যদিও তাৰ দ্বাৰা ইয়াৰ পূৰ্বে কোনো গুনাহ হৈছিল। কাৰণ

তাৰ ঈমান, ইখলাছ, মুহাব্বত আৰু ইয়াকীন তাৰ আন আন সকলো পাপ কৰ্মক এনেকৈ মচি দিব যেনেকৈ দিনৰ পোহৰে ৰাতিৰ অন্ধকাৰক দূৰিভূত কৰি দিয়ে।[19]

শ্বাইখ মুহাম্মদ ইবন আব্দুল অহহাবে কৈছেঃ এই প্ৰসঙ্গত সিহঁতৰ আৰু এটা সংশয় এই যে, সিহঁতে কয়, উছামা ৰাদ্বিয়াল্লাহু 'আনহুৱে এজন ব্যক্তিক ''লা ইলা-হা ইল্লাল্লাহ'' কোৱাৰ পিছতো হত্যা কৰাৰ কাৰণে ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁৰ এই কৰ্মক নিন্দা কৰিছে আৰু উছামা ৰাদিয়াল্লাহু 'আনহুক প্ৰশ্ন কৰিছে, তুমি তাক ''লা ইলা-হা ইল্লাল্লাহ'' কোৱাৰ পিছতো হত্যা কৰিছা নেকি? এই ধৰণৰ আৰু অন্যান্য হাদীছ য'ত কলিমা ''লা ইলা-হা ইল্লাল্লাহ'' পাঠকাৰীৰ নিৰাপত্তা সম্পৰ্কে কোৱা হৈছে। ইয়াৰ দ্বাৰা এইবোৰ মূৰ্খসকলে ক'ব বিচাৰে যে, কোনো ব্যক্তিয়ে এই কলিমা পঢ়াৰ পিছত যি ইচ্ছা সেইটোৱে কৰিব পাৰে, আৰু কেতিয়াও সি কাফিৰ হৈ নাযাব আৰু তাৰ জীৱনৰ নিৰাপত্তাৰ বাবে এইটোৱেই যথেষ্ট। এনেকুৱা অজ্ঞসকলক ক'ব লাগে যে, ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে ইয়াহুদীসকলৰ সৈতে জিহাদ কৰিছে আৰু সিহঁতক বন্দীও কৰিছে অথচ সিহঁতে ''লা ইলা-হা ইল্লাল্লাহ'' এই কথাক স্বীকাৰ কৰিছিল। লগতে ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ ছাহাবীসকলে বনু হানিফা গোত্ৰৰ সৈতে জিহাদ কৰিছে অথচ সিহঁতে স্বীকাৰ কৰিছিল যে, আল্লাহ এক আৰু মুহাম্মদ - চাল্লাল্লাহু আলাইহি অছাল্লাম- আল্লাহৰ প্ৰেৰিত ৰাছুল আৰু সিহঁতে ছালাতো পঢ়িছিল আৰু ইছলামৰ দাবীদাৰো আছিল। এইদৰে আলী ৰাদ্বিয়াল্লাহু 'আনহুৱে যিসকলক পুৰি মাৰিছিল সিহঁতৰ কথাও উল্লেখ কৰিব পাৰি।

এইসকল অজ্ঞই এই বিষয়ে স্বীকৃতি দান কৰে যে, যি ব্যক্তি ''লা ইলা-হা ইল্লাল্লাহ'' কোৱাৰ পিছত পুনৰুত্থানক অবিশ্বাস কৰিব সি কাফিৰ আৰু মুৰতাদ হৈ যাব আৰু মুৰতাদ হোৱাৰ কাৰণে তাক হত্যা কৰা হ'ব। ইয়াৰোপৰিও যি ব্যক্তি ইছলামৰ স্তম্ভসমূহৰ কোনো এটাক অস্বীকাৰ কৰিব সি কাফিৰ বুলি পৰিগণিত হ'ব আৰু মুৰতাদ হোৱাৰ কাৰণে তাক হত্যা কৰা হ'ব, যদিও সি মুখেৰে لَا إِلَهَ إِلَّا اللهُ এই কলিমা উচ্চাৰণ নকৰক কিয়। তেনেহ'লে বিষয়টো কেনেকুৱা হ'ল? আংশিক দ্বীনৰ পৰা মুখ ঘূৰাই লৈ বক্ৰতাৰ পথ গ্ৰহণ কৰিলে যদি ''লা ইলা-হা ইল্লাল্লাহ'' কোৱা কোনো উপকাৰত নাহে তেনেহ'লে ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে লৈ অহা দ্বীনৰ মূল

[19] শ্বাইখ ছুলাইমান ইবন আব্দিল্লাহ, তাইছীৰুল আযীযিল হামীদ, পৃ. ৬৬-৬৭।

বিষয় তাওহীদৰ সৈতে কুফৰী কৰাৰ পিছত কেনেকৈ “লা ইলা-হা ইল্লাল্লাহ” কেৱল মুখেৰে উচ্চাৰণ কৰাটো তাৰ উপকাৰ সাধন কৰিব পাৰে? মূলতে আল্লাহদ্রোহীসকলে এইবোৰ হাদীছৰ অৰ্থ বুজিবলৈ সক্ষম হোৱা নাই[20]।

উছামা ৰাদিয়াল্লাহু ‘আনহুৰ হাদীছৰ ব্যাখ্যাত তেওঁ আৰু কৈছে, উছামা ৰাদিয়াল্লাহু ‘আনহুৱে সেই ব্যক্তিক হত্যা কৰিছে এই ধাৰণাত যে, সেই ব্যক্তি মুছলিম হোৱাৰ দাবী কৰিছে কেৱল তাৰ জীৱন আৰু সম্পদ ৰক্ষাৰ ভয়ত। আৰু ইছলামৰ নীতি হৈছে কোনোবাই ইছলাম গ্ৰহণ কৰিলে তেতিয়ালৈকে তাৰ ধন-সম্পদ আৰু জীৱনৰ নিৰাপত্তা প্ৰদান কৰা হ’ব যেতিয়া লৈকে সি ইছলামৰ পৰিপন্থী কোনো কাম নকৰিব। আল্লাহ তা‘আলাই কৈছেঃ

﴿ يَـٰٓأَيُّهَا ٱلَّذِينَ ءَامَنُوٓاْ إِذَا ضَرَبۡتُمۡ فِي سَبِيلِ ٱللَّهِ فَتَبَيَّنُواْ ﴾ [النساء: ٩٤]

“হে মুমিনসকল! তোমালোকে যেতিয়া আল্লাহৰ পথত যাত্ৰা কৰিবা তেতিয়া পাৰ্থক্য নিৰ্ণয় কৰিবা।” (আন নিছা-৯৪) এই আয়াতৰ অৰ্থ হৈছে এই যে, কোনো ব্যক্তিৰ ইছলাম গ্ৰহণৰ পিছত তেতিয়া লৈকে তাৰ জীৱনৰ নিৰাপত্তা বিধান কৰিব যেতিয়া লৈকে ইছলাম পৰিপন্থী কোনো কাম তাৰ দ্বাৰা প্ৰকাশ নাপায়। কিন্তু যদি ইয়াৰ বিপৰীত কোনো কৰ্ম কৰে তেনেহ’লে তাক (হাকীমৰ ফয়চালা অনুযায়ী) হত্যা কৰা হ’ব। কিয়নো আয়াতত কোৱা হৈছে, তোমালোকে অনুসন্ধানৰ মাধ্যমত নিৰূপণ কৰা। আৰু যদি সেয়া নহলেহেঁতেন তেন্তে ইয়াত (فَتَبَيَّنُواْ) অৰ্থাৎ “যাচাই বা পাৰ্থক্য নিৰ্ণয় কৰা” এই শব্দৰ কোনো মূল্যই নাথাকে। এইদৰে অন্যান্য হাদীছসমূহ, যাৰ আলোচনা পূৰ্বে বৰ্ণনা কৰিছো অৰ্থাৎ যি ব্যক্তি ইছলাম আৰু তাওহীদৰ স্বীকৃতি দান কৰিব আৰু ইয়াৰ পিছত ইছলাম পৰিপন্থী কৰ্মৰ পৰা বিৰত থাকিব তাৰ জীৱনৰ নিৰাপত্তা প্ৰদান কৰা ওৱাজিব। আৰু এই কথাৰ দলীল হৈছে, যি ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে উছামাক ক’লে, “তুমি তাক لَا إِلَهَ إِلَّا اللهُ কোৱাৰ পিছতো হত্যা কৰিছা নেকি?” সেই ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামেই কৈছেঃ “মই মানুহৰ লগত জিহাদ কৰাৰ বাবে আদিষ্ট হৈছো, সিহঁতে এই সাক্ষ্য নিদিয়া লৈকে যে, আল্লাহৰ বাহিৰে আন কোনো সত্য মাবুদ নাই।” আকৌ তেৱেঁই খাৰেজিসকলৰ বিষয়ে কৈছেঃ “তোমালোকে সিহঁতক

[20] চাওঁক, মাজমূ‘আতুত তাওহীদ, পৃ. ১২০-১২১।

যতেই দেখা পাবা ততেই সিহঁতক হত্যা কৰিবা, মই যদি সিহঁতক পালোহেঁতেন তেনেহ’লে ‘আদ জাতিৰ হত্যাৰ দৰে সিহঁতক হত্যা কৰিলোহেঁতেন’’। অথচ ইহঁতেই আছিল সেই সময়ৰ আটাইতকৈ বেছি ‘লা ইলা-হা ইল্লাল্লাহ’ উচ্চাৰণকাৰী। আনকি ছাহাবায়ে কেৰামে নিজকে এইসকল লোকৰ তুলনাত বৰ সৰু বুলি ভাৱ হৈছিল। যদিও সিহঁতে ছাহাবায়ে কেৰামৰ পৰাই শিক্ষা গ্ৰহণ কৰিছিল, কিন্তু ইহঁতৰ পৰা ইছলাম বহিৰ্ভূত কাম প্ৰকাশ পোৱাত ইহঁতৰ “লা ইলা-হা ইল্লাল্লাহ” কোৱা বা ইয়াৰ প্ৰচাৰ কৰা আৰু ইবাদত কৰা লগতে মুখেৰে ইছলামৰ দাবী কৰা একোৱেই সিহঁতৰ কামত নাহিল। এইদৰে ইয়াহুদীসকলৰ সৈতে যুদ্ধ কৰা আৰু ছাহাবাসকলে ‘‘বনু হানিফা’’ গোত্ৰৰ সৈতে যুদ্ধ কৰাৰ বিষয়বোৰো ইয়াত উল্লেখযোগ্য।

এই প্ৰসঙ্গত হাফিজ ইবনে ৰজব তেওঁৰ ‘‘কালিমাতুল ইখলাছ’’ নামক গ্ৰন্থত ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ হাদীছ ‘‘মই আদিষ্ট হৈছো মানুহৰ সৈতে জিহাদ কৰাৰ বাবে যেতিয়া লৈকে সিহঁতে এই সাক্ষ্য নিদিব যে, আল্লাহৰ বাহিৰে আন কোনো সত্য মা‘বুদ নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম আল্লাহৰ ৰাছুল’’ ইয়াৰ ব্যাখ্যাত কৈছেঃ ‘ওমৰ আৰু এদল ছাহাবাই বুজিছিল যে, যি ব্যক্তি কেৱল তাওহীদ আৰু ৰিছালাতৰ সাক্ষ্য দান কৰিব একমাত্ৰ ইয়াৰ ওপৰত নিৰ্ভৰ কৰি সিহঁতৰ দুনিয়াবী শাস্তিৰ পৰা অব্যাহতি দিয়া হ’ব। এই বাবেই যিসকলে যাকাত প্ৰদান কৰিবলৈ অস্বীকাৰ কৰিছিল সিহঁতৰ লগত যুদ্ধৰ বিষয়ে দ্বিধান্বিত হৈ পড়িছিল, কিন্তু আবু বকৰ ৰাদিয়াল্লাহু ‘আনহুৱে বুজিছিল যে, ‘তেতিয়া লৈকে সিহঁতক যুদ্ধৰ পৰা অব্যাহতি দিয়া নাযাব যেতিয়া লৈকে সিহঁতে এই কলিমাৰ হক্ক (যাকাত) আদায় কৰিবলৈ স্বীকৃতি নিদিব। কিয়নো ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে, “এতেকে যেতিয়া সিহঁতে এই কলিমাৰ (তাওহীদ আৰু ৰিছালাতৰ) স্বীকৃতি দিব, তেতিয়া সিহঁতে মোৰ তৰফৰ পৰা সিহঁতৰ জীৱনক হিফাযত কৰিব কিন্তু এই স্বীকৃতিৰ হক বা অধিকাৰ অনুযায়ী ইছলামী দণ্ডৰে দণ্ডিত হলে পৃথিৱীত সিহঁতৰ ওপৰত সেই দণ্ড প্ৰয়োগ কৰা হ’ব আৰু সিহঁতৰ পৰকালীন হিচাপৰ দায়িত্ব আল্লাহৰ ওপৰত।” আবু বকৰ ৰাদিয়াল্লাহু আনহুৱে আৰু কৈছিল যে, “যাকাত হৈছে, সম্পদৰ হক”[21]।

[21] অৰ্থাৎ সম্পদৰ হক আদায় কৰাৰ বাবে হাদীছৰ মাজতেই নিৰ্দেশনা দিয়া হৈছে। এতেকে ‘লা ইলা-হা ইল্লাল্লাহ’ কোৱাৰ পিছতো সি কিন্তু নিৰাপদ নাছিল, কাৰণ সি কলিমাৰ হক নষ্ট কৰিছে।

অৱশ্যে আবুবকৰ ৰাদিয়াল্লাহু 'আনহুৰ এই ভাবাৰ্থ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা ইবনে 'ওমৰ, আনাছ আৰু অন্যান্য বহুতো ছাহাবা ৰাদ্বিয়াল্লাহু 'আনহুমে স্পষ্টভাৱে বৰ্ণনা কৰিছে। তেওঁলোকে বৰ্ণনা কৰিছে, নবী চাল্লাল্লাহু 'আলাইহি অছাল্লামে কৈছেঃ

«أُمِرْتُ أَنْ أُقَاتِلَ النَّاسَ حَتَّى يَشْهَدُوا أَنْ لَا إِلَهَ إِلَّا اللهُ وَأَنَّ مُحَمَّدًا رَسُولُ اللهِ، وَيُقِيمُوا الصَّلَاةَ، وَيُؤْتُوا الزَّكَاةَ»

"মই আদিষ্ট হৈছো মানুহৰ সৈতে জিহাদ কৰাৰ বাবে যেতিয়া লৈকে সিহঁতে এই সাক্ষ্য নিদিব যে, আল্লাহৰ বাহিৰে আন কোনো সত্য মা'বুদ নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম আল্লাহৰ ৰাছুল, লগতে ছালাত প্ৰতিষ্ঠা কৰিব আৰু যাকাত প্ৰদান কৰিব"[22]।

ইয়াৰোপৰিও আল্লাহ তা'আলাৰ বাণীয়েও এই অৰ্থই বহন কৰে। তেওঁ কৈছেঃ

﴿ فَإِن تَابُواْ وَأَقَامُواْ ٱلصَّلَوٰةَ وَءَاتَوُاْ ٱلزَّكَوٰةَ فَخَلُّواْ سَبِيلَهُمۡۚ إِنَّ ٱللَّهَ غَفُورٌ رَّحِيمٌ ۝٥ ﴾ [التوبة: ٥]

"কিন্তু যদি সিহঁতে তাওবা কৰে, ছালাত কায়েম কৰে আৰু যাকাত প্ৰদান কৰে তেন্তে সিহঁতৰ পথ এৰি দিবা; নিশ্চয় আল্লাহ অতিশয় ক্ষমাশীল, পৰম দয়ালু।" (আত-তাওবা, আয়াত ৫)

আল্লাহে আৰু কৈছেঃ

﴿فَإِن تَابُواْ وَأَقَامُواْ ٱلصَّلَوٰةَ وَءَاتَوُاْ ٱلزَّكَوٰةَ فَإِخۡوَٰنُكُمۡ فِي ٱلدِّينِۗ ﴾ [التوبة: ١١]

"এতেকে সিহঁতে যদি তাওবা কৰে, ছালাত কায়েম কৰে আৰু যাকাত প্ৰদান কৰে, তেন্তে সিহঁতে তোমালোকৰ দ্বীনি ভাই;" (ছুৰা তাওবা ১১)

ইয়াৰ পৰা প্ৰমাণিত হ'ল যে, কোনো ব্যক্তিৰ লগত দ্বীনি ভ্ৰাতৃত্ব তেতিয়া লৈকে প্ৰতিষ্ঠিত নহ'ব, যেতিয়া লৈকে সি তাওহীদৰ স্বীকৃতিৰ লগতে সকলো ফৰজ ওৱাজিব আদায় নকৰিব। আৰু শ্বিৰ্কৰ পৰা তাওবা কৰা তেতিয়া লৈকে প্ৰমাণিত নহ'ব যেতিয়া লৈকে তাওহীদৰ ওপৰত অবিচল নাথাকিব।

---

এতেকে যিসকলেই 'লা ইলা-হা ইল্লাল্লাহ' কব সিহঁতে যদি এই কলিমাৰ অৰ্থ আৰু চাহিদা বিৰোধী কৰ্ম কৰে তেনেহ'লে সিহঁতে কোনো মতেই নিৰাপদ নহ'ব। [অনুবাদক]

[22] বুখাৰী, হাদীছ নং ২৫; মুছলিম, হাদীছ নং ২২।

আবু বকৰ ৰাদিয়াল্লাহু ‘আনহুৱে যেতিয়া ছাহাবীসকলৰ ওচৰত এইটো প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ’ল, তেতিয়া তেওঁলোকে এই কথাৰ প্ৰতি উভতি আহিল আৰু তেওঁৰ সিদ্ধান্তকেই সঠিক বুলি ভাবিলে। এতেকে বুজা গ’ল যে, কেৱলমাত্ৰ এই কলিমা পাঠ কৰিলেই যেনেকৈ পাৰ্থিৱ শাস্তিৰ পৰা ৰেহাই পোৱা নাযাব, সেইদৰে ইছলামৰ কোনো বিধি বিধান লংঘন কৰিলেও পৃথিৱীতেই সি শাস্তি ভোগ কৰিব লাগিব। এতেকে আখিৰাতৰ শাস্তিৰ বিষয়টোও একেই ধৰণৰ।

হাফিজ ইবনে ৰজবে আৰু কৈছে[23], আলিমসকলৰ মাজত আন এটি দলে (উক্ত সন্দেহৰ উত্তৰত) কৈছে, এইবোৰ হাদীছৰ অৰ্থ হৈছে, لَا إِلَٰهَ إِلَّا اللهُ মুখেৰে উচ্চাৰণ কৰা জান্নাতত প্ৰৱেশ আৰু জাহান্নামৰ পৰা নিস্কৃতি পোৱাৰ এটা প্ৰধান উপকৰণ আৰু ইয়াৰ দাবী মাত্ৰ। আৰু এই দাবীৰ ফলাফল সিদ্ধি হ’ব কেৱলমাত্ৰ তেতিয়াই যেতিয়া প্ৰয়োজনীয় চৰ্তসমূহ আদায় কৰা হ’ব আৰু ইয়াৰ প্ৰতিবন্ধকতাসমূহ দূৰ কৰা হ’ব। সেই লক্ষ্যত পৌঁছাৰ চৰ্তবোৰ যদি অনুপস্থিত থাকে, অথবা ইয়াৰ প্ৰতিবন্ধক কোনো কাম পোৱা যায় তেন্তে এই কলিমা পাঠ কৰা আৰু ইয়াৰ লক্ষ্যত পৌঁছা সম্ভৱ নহয়। হাছান বছৰী আৰু অহাব ইবনু মুনাব্বেহ এইটো মতেই ব্যক্ত কৰিছে আৰু এইটো মতেই হৈছে অধিক স্পষ্ট।

তাৰ পিছত ইমাম ইবনে ৰজব ৰাহিমাহুল্লাহে হাছান বছৰীৰ পৰা বৰ্ণনা কৰিছে যে, তেওঁ ফাৰাযদাক নামক এজন কবিক তাৰ স্ত্ৰীক দাফন কৰা সময়ত তাক ক’লে, এই দিনৰ (মৃত্যু আৰু আখিৰাতৰ) বাবে কি প্ৰস্তুতি গ্ৰহণ কৰিছে? উত্তৰত ফাৰাযদাকে ক’লে, সত্তৰ বছৰৰ পৰা যি কলিমা لَا إِلَٰهَ إِلَّا اللهُ ৰ সাক্ষ্য দি আহিছো সেইটোৱেই মোৰ সম্বল। হাছান বছৰীয়ে কলে, বৰ উত্তম প্ৰস্তুতি; কিন্তু এই কলিমাৰ কিছুমান চৰ্ত আছে, তুমি অৱশ্যে পৱিত্ৰা- নাৰীসকলৰ প্ৰতি অপবাদ আৰোপ কৰি কবিতা লিখাৰ পৰা নিজকে বিৰত ৰাখিবা।

হাছান বছৰীক প্ৰশ্ন কৰা হ’ল, কিছুমান মানুহে কয় যে, যি ব্যক্তিয়ে ক’ব, لَا إِلَٰهَ إِلَّا اللهُ সি জান্নাতত প্ৰৱেশ কৰিব। তেতিয়া তেওঁ ক’লে, ‘যি ব্যক্তিয়ে “লা ইলা-হা

---

[23] কালেমাতুল ইখলাছ, পৃ. ৯-১০।

ইল্লাল্লাহ” ক’ব আৰু ইয়াৰ ফৰজ ওৱাজিব আদায় কৰিব তেওঁহে জান্নাতত প্ৰৱেশ কৰিব।’

এজন ব্যক্তিয়ে অহাব ইবন মুনাব্বেহক ক’লে, “লা ইলা-হা ইল্লাল্লাহ” জান্নাতৰ চাবি নহয় নে? তেওঁ ক’লে, হয়, কিন্তু প্ৰত্যেক চাবিৰেই কিছুমান দাঁত থাকে, তুমি যি চাবি লৈ আহিবা তাত যদি দাঁত থাকে তেতিয়াহে তোমাৰ বাবে জান্নাতৰ দুৱাৰ খোলা হ’ব, অন্যথা নহয়।

মই ভাৱো, আলিমসকলৰ এই কথাসমূহ সিহঁতৰ সন্দেহৰ যথাযথ অপনোদন কৰিছে যিসকলে ধাৰণা কৰে, “লা ইলা-হা ইল্লাল্লাহ” এই কলিমা পাঠ কৰিলেই জান্নাতত প্ৰৱেশ কৰিব, ইয়াৰ দাবী অনুযায়ী কাম কৰা হওক বা নহওক, এইদৰে সিহঁতৰো সন্দেহ দূৰীভূত হ’ল যিসকলে ভাৱে “লা ইলা-হা ইল্লাল্লাহ” কলেই আৰু কেতিয়া সিহঁত কাফিৰৰ অন্তৰ্ভুক্ত নহ’ব, যদিও মাজাৰ পূজা আৰু পীৰ পূজাৰ মাধ্যমত সিহঁতে যিমান ডাঙৰ শ্বিৰ্কেই নকৰক কিয়, যিটো বৰ্তমান সময়ত বহু ঠাইত পৰিলক্ষিত হৈছে। কাৰণ এইবোৰ কৰ্মকাণ্ড কলিমা “লা ইলা-হা ইল্লাল্লাহ”ৰ সম্পূৰ্ণ পৰিপন্থী আৰু একেবাৰেই বিপৰীত। দৰাচলতে এই ধৰণৰ সন্দেহ সৃষ্টি কৰা সেইসকল ভ্ৰষ্ট মানুহৰেই কাম যিসকলে কোৰআন আৰু হাদীছৰ সেইবোৰ সংক্ষিপ্ত ভাষ্যসমূহ গ্ৰহণ কৰি থাকে যিবোৰক সিহঁতে নিজৰ অভিমতৰ সপক্ষে দলীল হিচাপে ধাৰণা কৰে, আনহাতে সিহঁতে সেইবোৰ সংক্ষিপ্ত ভাষ্যসমূহৰ বৰ্ণনাকাৰী ভাষ্যসমূহক পৰিত্যাগ কৰে আৰু বিশদ ব্যাখ্যাসম্বলিত ভাষ্যসমূহকো উপেক্ষা কৰে। ইহঁতৰ অৱস্থা হ’ল সেইসকল লোকৰ দৰে যিসকলে কোৰআনৰ কিছু অংশক বিশ্বাস কৰে আৰু আন কিছু অংশৰ লগত কুফৰী কৰে। ইহঁতৰ বিষয়ে আল্লাহ তা‘আলাই কৈছেঃ

﴿ هُوَ ٱلَّذِىٓ أَنزَلَ عَلَيۡكَ ٱلۡكِتَٰبَ مِنۡهُ ءَايَٰتٞ مُّحۡكَمَٰتٌ هُنَّ أُمُّ ٱلۡكِتَٰبِ وَأُخَرُ مُتَشَٰبِهَٰتٞۖ فَأَمَّا ٱلَّذِينَ فِى قُلُوبِهِمۡ زَيۡغٞ فَيَتَّبِعُونَ مَا تَشَٰبَهَ مِنۡهُ ٱبۡتِغَآءَ ٱلۡفِتۡنَةِ وَٱبۡتِغَآءَ تَأۡوِيلِهِۦۖ وَمَا يَعۡلَمُ تَأۡوِيلَهُۥٓ إِلَّا ٱللَّهُۗ وَٱلرَّٰسِخُونَ فِى ٱلۡعِلۡمِ يَقُولُونَ ءَامَنَّا بِهِۦ كُلّٞ مِّنۡ عِندِ رَبِّنَاۗ وَمَا يَذَّكَّرُ إِلَّآ أُوْلُواْ ٱلۡأَلۡبَٰبِ ٧ رَبَّنَا لَا تُزِغۡ قُلُوبَنَا بَعۡدَ إِذۡ هَدَيۡتَنَا وَهَبۡ لَنَا مِن لَّدُنكَ رَحۡمَةًۚ إِنَّكَ أَنتَ ٱلۡوَهَّابُ ٨ رَبَّنَآ إِنَّكَ جَامِعُ ٱلنَّاسِ لِيَوۡمٖ لَّا رَيۡبَ فِيهِۚ إِنَّ ٱللَّهَ لَا يُخۡلِفُ ٱلۡمِيعَادَ ٩ ﴾ [ال عمران: ٧، ٩]

“তেৱেঁই তোমাৰ প্ৰতি এই কিতাব অৱতীৰ্ণ কৰিছে যিটোৰ কিছুমান আয়াত ‘মুহকাম’, সেইবোৰেই কিতাপৰ মূল; আৰু আনবোৰ হ’ল মুতাশ্বাবিহ, এতেকে যিহঁতৰ অন্তৰত বক্ৰতা আছে কেৱল সিহঁতেই ফিতনা আৰু ভুল ব্যাখ্যাৰ উদ্দেশ্যে মুতাশ্বাবিহাতৰ অনুসৰণ কৰে। অথচ আল্লাহৰ বাহিৰে আন কোনেও ইয়াৰ ব্যাখ্যা নাজানে; আৰু যিসকল জ্ঞানত সুগভীৰ তেওঁলোকে কয়, ‘আমি এইবোৰৰ প্ৰতি ঈমান পোষণ কৰো, এই সকলো আমাৰ ৰবৰ পৰা আহিছে’; আৰু জ্ঞান-বুদ্ধিসম্পন্ন লোকৰ বাহিৰে আন কোনেও উপদেশ গ্ৰহণ নকৰে। হে আমাৰ ৰব! সৰল পথ প্ৰদান কৰাৰ পিছত তুমি আমাৰ অন্তৰসমূহক সত্য লঙ্ঘনপ্ৰৱণ নকৰিবা আৰু তোমাৰ তৰফৰ পৰা আমাক ৰহমত প্ৰদান কৰা, নিশ্চয় তুমি মহাদাতা। হে আমাৰ ৰব! নিশ্চয় তুমি এদিনাখন মানুহক সমবেত কৰিবা তাত কোনো সন্দেহ নাই; নিশ্চয় আল্লাহে প্ৰতিশ্ৰুতি ভঙ্গ নকৰে। (আলে ইমৰান-৭-৯)

হে আল্লাহ আমাৰ ওচৰত সত্যক সত্য হিচাপে দেখুৱাই দিয়া আৰু সেয়া গ্ৰহন কৰিবলৈ তাওফীক দিয়া। আৰু বাতিলক বাতিল হিচাপে দেখুৱাই দিয়া আৰু সেয়া পৰিহাৰ কৰিবলৈ তাওফীক দিয়া।

**৬. কলিমা لاَ إِلَهَ إِلاَّ اللهُ ৰ প্ৰভাৱ**

সত্য আৰু নিষ্ঠাৰ সৈতে এই মহান কলিমা পাঠ কৰিলে আৰু ইয়াৰ প্ৰকাশ্য আৰু অপ্ৰকাশ্য দাবী অনুযায়ী আমল কৰিলে ব্যক্তি আৰু সমাজ জীৱনত এই কলিমাৰ এক বিশেষ সুফল প্ৰতিফলিত হ’ব। তাৰে মাজত নিম্নলিখিত বিষয়সমূহ উল্লেখযোগ্য:

ক) এই কলিমাই মুছলিমসকলৰ মাজত একতা সৃষ্টি কৰে আৰু ইয়াৰ ফলস্বৰূপে তেওঁলোকে আল্লাহৰ বলত শক্তিশালী হৈ বিজয় সূচিত কৰিব পাৰে আল্লাহদ্ৰোহীসকলৰ ওপৰত, কিয়নো তেতিয়া তেওঁলোক একেই দ্বীনৰ অনুসাৰী আৰু একেই আকিদাৰ বিশ্বাসী হৈ পৰে। আল্লাহ তা‘আলাই কৈছেঃ

﴿ وَٱعۡتَصِمُواْ بِحَبۡلِ ٱللَّهِ جَمِيعٗا وَلَا تَفَرَّقُواْ ﴾ [ال عمران: ١٠٣]

“আৰু তোমালোক সকলোৱে আল্লাহৰ ৰছীক দৃঢ়ভাৱে ধাৰণ কৰা আৰু পৰস্পৰে বিচ্ছিন্ন নহবা;” (আলে ইমৰান-১০৩)

আল্লাহে আৰু কৈছেঃ

﴿ هُوَ ٱلَّذِيٓ أَيَّدَكَ بِنَصۡرِهِۦ وَبِٱلۡمُؤۡمِنِينَ ۝٦٢ وَأَلَّفَ بَيۡنَ قُلُوبِهِمۡۚ لَوۡ أَنفَقۡتَ مَا فِي ٱلۡأَرۡضِ جَمِيعٗا مَّآ أَلَّفۡتَ بَيۡنَ قُلُوبِهِمۡ وَلَٰكِنَّ ٱللَّهَ أَلَّفَ بَيۡنَهُمۡۚ إِنَّهُۥ عَزِيزٌ حَكِيمٞ ۝٦٣ ﴾ [الانفال: ٦٢، ٦٣]

"আৰু যদি সিহঁতে তোমাক প্ৰতাৰিত কৰিব বিচাৰে তেন্তে তোমাৰ বাবে আল্লাহেই যথেষ্ট, নিশ্চয় তেওঁ তোমাক নিজ সহায়ৰ দ্বাৰা আৰু মুমিনসকলৰ দ্বাৰা শক্তিশালী কৰিছে। আৰু তেৱেঁই সিহঁতৰ পৰস্পৰৰ হৃদয়ৰ মাজত প্ৰীতি স্থাপন কৰিছে। পৃথিৱীৰ যাৱতীয় সম্পদ ব্যয় কৰিলেও তুমি সিহঁতৰ হৃদয়ত প্ৰীতি স্থাপন কৰিব নোৱাৰিলাহেঁতেন; কিন্তু আল্লাহে সিহঁতৰ মাজত প্ৰীতি স্থাপন কৰিছে, নিশ্চয় তেওঁ পৰাক্ৰমশালী, প্ৰজ্ঞাময়।" (আল-আনফাল-৬২-৬৩)

ইছলামী আকীদাত যদি অনৈক্যৰ সৃষ্টি হয় তেনেহ'লে তাৰ দ্বাৰা পৰস্পৰৰ মাজত বিভক্তি আৰু কলহ বিবাদৰ জন্ম লয়। যেনে আল্লাহ তা'আলাই কৈছেঃ

﴿ إِنَّ ٱلَّذِينَ فَرَّقُواْ دِينَهُمۡ وَكَانُواْ شِيَعٗا لَّسۡتَ مِنۡهُمۡ فِي شَيۡءٍۚ ﴾ [الانعام: ١٥٩]

"নিশ্চয় যিসকলে নিজৰ দ্বীনক বিচ্ছিন্ন কৰিছে আৰু বিভিন্ন দলত বিভক্ত হৈছে, সিহঁতৰ লগত তোমাৰ কোনো সম্পৰ্ক নাই;" (আল আন'আম-১৫৯)

আল্লাহে আৰু কৈছেঃ

﴿فَتَقَطَّعُوٓاْ أَمۡرَهُم بَيۡنَهُمۡ زُبُرٗاۖ كُلُّ حِزۡبِۭ بِمَا لَدَيۡهِمۡ فَرِحُونَ ۝٥٣﴾ [المؤمنون: ٥٣]

"পিছতহে মানুহে সিহঁতৰ নিজৰ মাজত সিহঁতৰ এই দ্বীনক বহুধা বিভক্ত কৰিছে। প্ৰত্যেক দলেই সিহঁতৰ ওচৰত যি আছে সেইটো লৈহে আনন্দিত।" (আল মুমিনূন -৫৩)

এতেকে মানুহৰ মাজত ঐক্য সৃষ্টিৰ একমাত্ৰ মাধ্যম হৈছে তাওহীদ আৰু ঈমানী আকীদাৰ বন্ধনত একত্ৰিত হোৱা। আৰু এইটোৱেই لاَ إِلٰهَ إِلاَّ اللهُ ৰ একমাত্ৰ অৰ্থ। ইছলাম ধৰ্মত দীক্ষিত হোৱাৰ পূৰ্বে আৰবীয়ানসকলৰ অৱস্থা আৰু সিহঁতৰ পৰৱৰ্তী অৱস্থা বিবেচনা কৰিলেই এই কথা সুস্পষ্ট ভাৱে বুজিব পাৰিব।

খ) لاَ إِلٰهَ إِلاَّ اللهُ এই কলিমাৰ ভিত্তিত গঢ়ি উঠা সমাজৰ মাজত উভতি আহে শান্তি আৰু নিৰাপত্তাৰ গ্যাৰান্টি; কিয়নো এই ধৰণৰ ঈমানৰ ফলত সেই সমাজৰ প্ৰত্যেক ব্যক্তিয়েই আল্লাহ আৰু তেওঁৰ ৰাছুলে যি হালাল কৰিছে সেয়া গ্ৰহণ কৰে আৰু যি হাৰাম কৰিছে তাক পৰিহাৰ কৰে, সকলো মানুহ উভতি আহে সীমালংঘন অত্যাচাৰ আৰু শত্ৰুতাৰ পথৰ পৰা আৰু এজনে আনজনৰ প্ৰতি সহানুভূতি, ভালপোৱা আৰু ভ্ৰাতৃত্বৰ হাত বঢ়াই দিয়ে। আল্লাহ তা'আলাই কৈছেঃ

﴿ إِنَّمَا ٱلْمُؤْمِنُونَ إِخْوَةٌ ﴾ [الحجرات: ١٠]

"নিশ্চয় মুমিনসকল পৰস্পৰে পৰস্পৰৰ ভাই"। [ছুৰা আল-হুজুৰাত:১০]

আৰু এই বাণীৰ অনুসৰণে পৰস্পপৰে পৰস্পৰক প্ৰীতি আৰু ভালপোৱাৰ জালত মেৰিয়াই লয়। ইয়াৰ বাস্তৱ নিদৰ্শন হৈছে আৰবসকলৰ অৱস্থা। তেওঁলোকে এই কলিমাৰ ছাঁৰ তলত একত্ৰিত হোৱাৰ পূৰ্বে ইজনে সিজনৰ চৰম শত্ৰু আছিল। হত্যা, লুণ্ঠন আৰু ডকাইতিৰ বাবে সিহঁতে গৌৰৱবোধ কৰিছিল। আৰু যেতিয়া তেওঁলোকে لاَ إِلٰهَ إِلاَّ اللهُ ৰ পতাকাৰ তলত একত্ৰিত হ'ল তেতিয়া গঢ়ি উঠিল সিহঁতৰ মাজত ভ্ৰাতৃত্বৰ মজবুত প্ৰাচীৰ। যেনে আল্লাহ তা'আলাই কৈছেঃ

﴿مُّحَمَّدٌ رَّسُولُ ٱللَّهِۚ وَٱلَّذِينَ مَعَهُۥٓ أَشِدَّآءُ عَلَى ٱلْكُفَّارِ رُحَمَآءُ بَيْنَهُمْ﴾ [الفتح: ٢٩]

"মুহাম্মদ আল্লাহৰ ৰাছুল, আৰু তেওঁৰ সহচৰসকল কাফিৰসকলৰ প্ৰতি অতি কঠোৰ, পৰস্পৰৰ মাজত সহানুভূতিশীল।" (আল-ফাতহ:২৯)

আল্লাহ তা'আলাই আৰু কৈছেঃ

﴿وَٱذْكُرُواْ نِعْمَتَ ٱللَّهِ عَلَيْكُمْ إِذْ كُنتُمْ أَعْدَآءً فَأَلَّفَ بَيْنَ قُلُوبِكُمْ فَأَصْبَحْتُم بِنِعْمَتِهِۦٓ إِخْوَٰنًا ﴾ [ال عمران: ١٠٣]

"আৰু তোমালোক সকলোৱে আল্লাহৰ ৰছীক দৃঢ়ভাৱে ধাৰণ কৰা আৰু পৰস্পৰে বিচ্ছিন্ন নহবা; আৰু তোমালোকৰ প্ৰতি আল্লাহৰ অনুগ্ৰহ স্মৰণ কৰা, এসময়ত তোমালোকে পৰস্পৰে শত্ৰু আছিলা। তাৰ পিছত তেৱেঁই তোমালোকৰ মনত সম্প্ৰীতি

দান কৰিছে, ফলত তেওঁৰ অনুগ্ৰহত তোমালোকে পৰস্পৰ ভ্ৰাতৃত্বৰ বন্ধনত আৱদ্ধ হৈছা"। (আলে ইমৰান: ১০৩)

গ) এই কলিমাৰ বন্ধনত একত্ৰিত হৈ মুছলিমসকলে লাভ কৰিব খিলাফতৰ দায়িত্ব আৰু নেতৃত্বদান কৰিব এই পৃথিৱীৰ, আৰু তেওঁলোকে দৃঢ় প্ৰত্যেয় লৈ মোকাবিলা কৰিব সকলো ষড়যন্ত্ৰ আৰু বিভিন্ন মতবাদৰ। আল্লাহ তা'আলাই কৈছেঃ

﴿وَعَدَ ٱللَّهُ ٱلَّذِينَ ءَامَنُواْ مِنكُمۡ وَعَمِلُواْ ٱلصَّٰلِحَٰتِ لَيَسۡتَخۡلِفَنَّهُمۡ فِي ٱلۡأَرۡضِ كَمَا ٱسۡتَخۡلَفَ ٱلَّذِينَ مِن قَبۡلِهِمۡ وَلَيُمَكِّنَنَّ لَهُمۡ دِينَهُمُ ٱلَّذِي ٱرۡتَضَىٰ لَهُمۡ وَلَيُبَدِّلَنَّهُم مِّنۢ بَعۡدِ خَوۡفِهِمۡ أَمۡنٗاۚ يَعۡبُدُونَنِي لَا يُشۡرِكُونَ بِي شَيۡـٔٗاۚ﴾ [النور: ٥٥]

"তোমালোকৰ মাজত যিসকলে ঈমান আনিছে আৰু সৎকৰ্ম কৰিছে আল্লাহে তেওঁলোকক প্ৰতিশ্ৰুতি দিছে যে, তেওঁ অৱশ্যে তেওঁলোকক পৃথিৱীত প্ৰতিনিধিত্ব দান কৰিব, যেনেকৈ তেওঁ প্ৰতিনিধিত্ব দান কৰিছিল তেওঁলোকৰ পূৰ্ববৰ্তীসকলক আৰু তেওঁ অৱশ্যে তেওঁলোকৰ বাবে তেওঁলোকৰ দ্বীনক প্ৰতিষ্ঠিত কৰিব যিটো তেওঁলোকৰ বাবে তেওঁ পছন্দ কৰিছে আৰু তেওঁলোকৰ ভয়-ভীতিক শান্তি-নিৰাপত্তাত পৰিবৰ্তন কৰি দিব। তেওঁলোকে কেৱল মোৰেই ইবাদত কৰিব, মোৰ লগত আন কাকো অংশীদাৰ স্থাপন নকৰিব," (আন্ নূৰ-৫৫)

ইয়াত এই মহান সফলতা অৰ্জনৰ বাবে আল্লাহ তা'আলাই একমাত্ৰ তেওঁৰ ইবাদত কৰাৰ আৰু তেওঁৰ লগত আন কাকো অংশী নকৰাৰ চৰ্তাৰোপ কৰিছে আৰু এইটোৱেই হৈছে "লা ইলা-হা ইল্লাল্লাহ'ৰ দাবী আৰু অৰ্থ।

ঘ) যি ব্যক্তি "লা ইলা-হা ইল্লাল্লাহ" ৰ স্বীকৃতি দান কৰিব আৰু ইয়াৰ দাবী অনুযায়ী আমল কৰিব তাৰ হৃদয়ৰ মাজত বিচাৰি পাব এক অনাবিল প্ৰশান্তি। কিয়নো সি এজন প্ৰতিপালকৰ ইবাদত কৰে আৰু তেওঁ কি বিচাৰে আৰু কি কৰিলে তেওঁ সন্তুষ্ট হ'ব সেই অনুপাতে কাম কৰে আৰু যি কাম কৰিলে তেওঁ অসন্তুষ্ট হ'ব তাৰ পৰা বিৰত থাকে। আৰু যি ব্যক্তিয়ে বহু দেৱ-দেৱীৰ পূজা কৰে তাৰ হৃদয়ত এনে প্ৰশান্তি আহিব নোৱাৰে, কাৰণ সেইসকল উপাস্যৰ প্ৰত্যেকৰে উদ্দেশ্য হ'ব ভিন ভিন আৰু প্ৰত্যেকেই বিচাৰিব সেইটো ভিন্ন ভাৱে পৰিচালনা কৰাৰ বাবে। আল্লাহে কৈছেঃ

﴿ءَأَرۡبَابٞ مُّتَفَرِّقُونَ خَيۡرٌ أَمِ ٱللَّهُ ٱلۡوَٰحِدُ ٱلۡقَهَّارُ ٣٩﴾ [يوسف: ٣٩]

“ভিন ভিন অসংখ্য ৰব ভাল, নে মহাপ্রতাপশালী এজন আল্লাহেই ভাল’? (ইউছুফ-৩৯)
আল্লাহে আৰু কৈছেঃ

﴿ضَرَبَ ٱللَّهُ مَثَلٗا رَّجُلٗا فِيهِ شُرَكَآءُ مُتَشَٰكِسُونَ وَرَجُلٗا سَلَمٗا لِّرَجُلٍ هَلۡ يَسۡتَوِيَانِ مَثَلًاۚ ﴾ [الزمر: ٢٩]

“আল্লাহে এটা দৃষ্টান্ত উপস্থাপন কৰিছে: এজন ব্যক্তি, যাৰ কেইবাজনো মনিব আছে, যিসকল পৰস্পৰ বিৰুদ্ধভাবাপন্ন, আৰু আন এজন মানুহ, যিজন কেৱল এজন মনিবৰ অনুগত; এই দুজন ব্যক্তিৰ অৱস্থা একে হ’ব পাৰেনে? (আয যুমাৰ-২৯)

ইমাম ইবনুল কাইয়্যিমে কৈছেঃ ইয়াত আল্লাহে এজন মুশ্বৰিক আৰু এজন একত্ববাদ বিশ্বাসী ব্যক্তিৰ অৱস্থা বুজাৰ বাবে এই উদাহৰণ দিছে। এজন মুশ্বৰিকৰ অৱস্থা হৈছে এনে এজন দাস বা চাকৰৰ দৰে যাৰ ওপৰত কর্তৃত্ব আছে একেলগে কেইবাজনো মালিকৰ। আৰু সেইবোৰ মালিক হৈছে পৰস্পৰ বিৰোধী, সিহঁতৰ সম্পর্ক হৈছে দা-মাছৰ সম্পর্ক, এজন আনজনৰ চিৰ শত্রু। আৰু আয়াতত বর্ণিত (মোতাশ্বাকিছ)ৰ অর্থ হৈছে, “যি ব্যক্তিৰ চৰিত্র অত্যন্ত বেয়া” আৰু মুশ্বৰিক যিহেতু বিভিন্ন উপাস্যৰ পূজা পাঠ কৰে সেয়ে তাৰ উপমা দিয়া হৈছে সেই দাস বা চাকৰৰ সৈতে যাৰ মালিক হৈছে কেইবাজনো ব্যক্তি, প্রত্যেকেই তাৰ খিদমত পোৱাৰ বাবে প্রতিযোগিতা কৰে। এনে অৱস্থাত তাৰ পক্ষে এই মালিকবোৰৰ সকলোৰে সন্তুষ্টি অর্জন কৰা অসম্ভৱ। আৰু যি ব্যক্তি কেৱলমাত্র এক আল্লাহৰ ইবাদত কৰে তাৰ উদাহৰণ হৈছে সেই চাকৰৰ দৰে যিয়ে কেৱলমাত্র এজন মালিকৰ অধীনস্ত সি তাৰ মালিকৰ উদ্দেশ্য সম্বন্ধে অৱগত আৰু তেওঁৰ সন্তুষ্টিৰ পথ সি জানে। সেয়ে এই চাকৰৰ বাবে বহু মালিকৰ অত্যাচাৰ আৰু নিপীড়নৰ কোনো ভয় নাথাকে। কেৱল সেয়াই নহয় নিজৰ মনিবৰ প্রীতি, ভালোপোৱা, দয়া আৰু কৰুণা লৈ অত্যন্ত নিৰাপদত সি তেওঁৰ ওচৰত বসবাস কৰে। এতিয়া প্রশ্ন হ’ল এই দুজন চাকৰৰ অৱস্থা একেই হ’বনে?[24]!

[24] ইবনুল কাইয়্যিম, এ‘লামুল মুওৱাক্কে‘য়ীন, ১/১৮৭।

৬) এই ‘লা ইলা-হা ইল্লাল্লাহ’ কলিমাৰ অনুসাৰীসকলে পৃথিৱী আৰু আখিৰাতত সন্মান আৰু সুমহান মৰ্যাদা লাভ কৰিব। আল্লাহ তা‘আলাই কৈছেঃ

﴿حُنَفَآءَ لِلَّهِ غَيۡرَ مُشۡرِكِينَ بِهِۦۚ وَمَن يُشۡرِكۡ بِٱللَّهِ فَكَأَنَّمَا خَرَّ مِنَ ٱلسَّمَآءِ فَتَخۡطَفُهُ ٱلطَّيۡرُ أَوۡ تَهۡوِي بِهِ ٱلرِّيحُ فِي مَكَانٖ سَحِيقٖ ٣١﴾ [الحج: ٣١]

“আল্লাহৰ প্ৰতি একনিষ্ঠ হৈ আৰু তেওঁৰ লগত আনক অংশীদাৰ নকৰি। কাৰণ যিয়ে আল্লাহৰ লগত অংশীদাৰ স্থাপন কৰে সি যেনিবা আকাশৰ পৰা পৰিল আৰু চৰাইয়ে তাক থাপ মাৰি লৈ গ’ল নাইবা বতাহে তাক উৰুৱাই নি কোনো দূৰৱৰ্তী ঠাইত নিক্ষেপ কৰিলে।” (আল হাজ্জ-৩১)

এই আয়াতৰ পৰা বুজা গ’ল যে, তাওহীদ হৈছে সুউচ্চত উঠা আৰু উন্নত শিখৰত আৰোহণ কৰা পক্ষান্তৰে শ্বিৰ্ক হৈছে পতিত হোৱা, তলত নামি যোৱা আৰু অতল গহ্বৰত নিক্ষিপ্ত হোৱা।

আল্লামা ইবনুল কাইয়্যিম ৰাহিমাহুল্লাহে কৈছে, ঈমান আৰু তাওহীদৰ সুমহান মৰ্যাদা, প্ৰশস্তি আৰু সন্মানৰ কাৰণে ইয়াৰ উদাহৰণ দিয়া হৈছে সুমহান আকাশৰ সৈতে, যাৰ দ্বাৰা সি উৰ্দ্ধলোকত উঠে আৰু অৱতৰণ স্থান, সি তাৰ পৰা পৃথিৱীত অৱতৰণ কৰে আৰু পৃথিৱীৰ পৰাও সেইটোৰ ফালেই আৰোহণ কৰে। আনহাতে ঈমান আৰু তাওহীদ পৰিত্যাগকাৰীৰ উদাহৰণ দিয়া হৈছে আকাশৰ পৰা পৃথিৱীৰ অতল গহ্বৰত পৰি যোৱাৰ লগত, যাৰ ফলত তাৰ হৃদয় মন হৈ আছে ভীষণ সংকুচিত, আৰু সি অনুভৱ কৰে কষ্টৰ পিছত কষ্ট, আঘাতৰ পিছত আঘাত। আৰু য’ত আছে এনেকুৱা চৰাই যিয়ে তাৰ অঙ্গ প্ৰত্যঙ্গসমূহ থাপ মাৰি লৈ যাব আৰু ছিন্ন-ভিন্ন কৰি দিব। সেই চৰাইৰ উদাহৰণ দি বুজোৱা হৈছে এনেকুৱা চয়তানসকলক যিসকলে সিহঁতৰ সহযোগী হ’ব আৰু তাক ধ্বংসৰ মুখত ঠেলি দিয়াৰ বাবে অস্থিৰ আৰু বিব্ৰত কৰিব। আৰু যি বতাহে তাক দূৰৱৰ্তী সংকীৰ্ণ স্থানত নিক্ষেপ কৰিব সেয়া হৈছে তাৰ মনৰ কামনা-বাসনা, যিটো তাক আকাশৰ পৰা পৃথিৱীৰ অতল গহ্বৰত নিক্ষেপ কৰিবলৈ প্ৰলুব্ধ কৰিব।[25]

[25] ইবনুল কাইয়্যেম, ই‘লামুল মুওয়াক্কি‘য়ীন, ১/১৮০।

চ) এই কলিমাই তাৰ জীৱন সম্পদ আৰু সন্মানৰ নিৰাপত্তা দান কৰিব। ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “মই আদিষ্ট হৈছো মানুহৰ সৈতে জিহাদ কৰাৰ বাবে যেতিয়া লৈকে সিহঁতে এই সাক্ষ্য নিদিব যে, আল্লাহৰ বাহিৰে আন কোনো সত্য মা‘বুদ নাই আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম আল্লাহৰ ৰাছুল। যেতিয়া সিহঁতে এই স্বীকৃতি দান কৰিব তেতিয়া মোৰ ফালৰ পৰা সিহঁতৰ জীৱন আৰু সম্পদক নিৰাপদ কৰিব। কিন্তু ইয়াৰ - ইছলামৰ - কোনো হক বা অধিকাৰ লঙ্ঘন হ’লে- তেতিয়া আৰু নিৰাপদ নাথাকিব”।

ইয়াত “তাৰ হক বা অধিকাৰ” বোলোতে বুজোৱা হৈছে, সিহঁতে যেতিয়া এই কলিমাৰ স্বীকৃতি আৰু দাবী অনুযায়ী কাম কৰাৰ পৰা নিজকে বিৰত ৰাখিব, অৰ্থাৎ তাওহীদৰ ওপৰত অবিচল নাথাকিব, ইবাদতক শ্বিৰ্ক মুক্ত নকৰিব আৰু ইছলামৰ প্ৰধান প্ৰধান কামসমূহ আদায় নকৰিব, তেতিয়া “লা ইলা-হা ইল্লাল্লাহ”ৰ স্বীকৃতি সিহঁতৰ জীৱন আৰু সম্পদৰ নিৰাপত্তা দান নকৰিব বৰং ইয়াৰ বাবে সিহঁতৰ জীৱন নাশ কৰা হ’ব আৰু সিহঁতৰ সম্পদক মুছলিমসকলৰ বাবে গনীমত হিচাপে গ্ৰহণ কৰা হ’ব, যেনেকৈ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লাম আৰু তেওঁৰ খলীফাসকলে কৰিছে।

ইয়াৰোপৰিও ব্যক্তি আৰু সমাজ জীৱনত ইবাদত, মু‘আমালাত (লেন-দেন) চৰিত্ৰ গঠন, আচাৰ অনুষ্ঠান সকলোবোৰতেই এই কলিমাৰ প্ৰভাৱ পৰিব।

অৱশেষত আল্লাহৰ তাওফীক কামনা কৰো। আল্লাহৰ তৰফৰ পৰা ছালাত আৰু ছালাম অৱতীৰ্ণ হওক আমাৰ প্ৰিয় নবী মুহাম্মাদৰ ওপৰত আৰু তেওঁৰ পৰিয়ালবৰ্গৰ লগতে ছাহাবায়ে কেৰামৰ ওপৰত।

অনুবাদ সম্পন্ন হ’ল 14/05/2017 9:27 amত আলহামদুলিল্লাহ